আগষ্ট 2003 Rs. 10/-

চান্দমামা

PARLE
50P only
আগবঢ়োৱা হৈছে পাৰ্লে স্মুদিজ।
আচল স্মুদ কেণ্ডি
পাৰ্লেৰ নতুন কেণ্ডি - স্মুদিজৰ কেনে অপূৰ্ব সোৱাদ চোৱাঁ।
ইয়াক পোৱা যায় এটা ক্ৰীমি আৰু 5 টা জ্যুচি স্বাদ-গন্ধত। গতিকে আহাঁ, সোনকালেই ইয়াৰ জুতি লোৱাঁ।
smoothies
স্মুদ। আচল স্মুদ।
Juicee
অৰেঞ্জ
ষ্ট্ৰবেৰি
ব্লেক কাৰেণ্ট
গ্ৰীণ এপল্
টেঙা মেংগো
Creamee
বাটাৰস্কচ
*M.R.P. Inclusive of all taxes for net weight 2.5gms.
Grey Worldwide PP.01.03 Asm

F-1 Assa

HERO
PIRANHA
ACTIVE
CADET HX
YANKEE
ROBO COP
Heroes start early.
Ride, race, take a tumble or even take a fall.
Because it's never too early to be a hero.
HERO CYCLES

ভাৰতৰ পৌৰাণিক উপাখ্যান ২৭

ময়ূৰৰ কাহিনী (বেতাল কাহিনী) ১৯

মায়া সৰোবৰ ১৩

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ অযথাই খৰখেদা ...০৮ ★ গুণেহে তৰে সংসাৰ ...০৯ ★ মায়া সৰোবৰ-১৭...১৩ ★ ময়ূৰৰ কাহিনী (বেতাল কাহিনী)...১৯ ★ হেৰোৱা সোণৰ হাৰ ...২১ ★ ভাৰতৰ পৌৰাণিক উপাখ্যান-১৫ ...২৭ ★ বিচিত্ৰ ভাৰত...৩০ ★ সুখৰ ৰহস্য ...৩১ ★ সংবাদ বিচিত্ৰা...৩৫ ★ উৰিষ্যাৰ এটা লোক কাহিনী ...৫২ ★ হাতৰটো এৰি বাটৰটো ধৰা ...৪০ ★ ভাৰতৰ বিষয়ে জানি লোৱা ... ৪৪ ★ গণেশ...৪৫ ★ ৰাক্ষসীৰ পোহনীয়া ভাটো ...৫১ ★ ভুলৰ উপলব্ধি ...৫৫ ★ আৰ্য ...৫৯ ★ জীৱনৰ ৰহস্য...৬০ ★ নিজকে ধৰাচোন ...৬৩ ★ খেলিমেলি ধেমালি...৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা...৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandamama India Ltd.
to

Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা

সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা

আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মনিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

For booking space in this magazine please contact:

DELHI
Mona Bhatia :
Ph: 011-26515111 / 26565513 / 26565516
Mobile: 98110-29092

MUMBAI
Sonia Desai :
Ph : 022-56942407 / 2408
Mobile: 98209-03124

CHENNAI
Shivaji : Ph : 044-22313637 / 22347399 Fax: 044-22312447
Mobile : 98412-77347
email : advertisements @chandamama.org

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

স্থায়ী শান্তি কামনাৰে

মানুহে সদায়েই শান্তিৰ সপোন দেখি আহিছে । বিভিন্ন সময়ত ৰাষ্ট্ৰনেতাসকলে শান্তিৰ বাবে কাম কৰি আহিছে । পঞ্চাশ বছৰৰ আগতে এছিয়া মহাদেশৰ দুখন দেশ ভাৰত আৰু চীনে সু-প্ৰতিবেশী হৈ থকাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছিল । ১৯৫৪ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ আমন্ত্ৰণক্ৰমে চীনৰ প্ৰধানমন্ত্ৰী চৌ এন লাই ভাৰত ভ্ৰমণৰ বাবে আহিছিল । তেওঁক চাবলৈ হাজাৰ হাজাৰ লোকৰ সমাৱেশ হৈছিল । 'হিন্দী চীনী ভাই-ভাই' ধ্বনিৰে আকাশ-বতাহ মুখৰিত হৈছিল ।

ভাৰত আৰু চীনে শান্তিপূৰ্ণ সহঅৱস্থানৰ বাবে পাঁচোটা নীতি বা 'পঞ্চশীল' নামেৰে এখন চুক্তি চহী কৰে । এই পঞ্চশীলৰ মূল উদ্দেশ্য আছিল যে এই দুয়ো দেশে কেতিয়াও পৰস্পৰে পৰস্পৰৰ প্ৰতি শত্ৰু ভাব নল'ব ।

মাত্ৰ তিনি মাহৰ পিছত নেহৰুৱে চীনদেশ ভ্ৰমণ কৰিছিল । তেওঁকো সেই দেশত সাদৰ অভ্যৰ্থনা জনোৱা হৈছিল । ইয়াৰ পৰাই জনা গ'ল যে প্ৰায় দুহেজাৰ বছৰ আগতে খ্ৰীষ্টীয় প্ৰথম শতিকাতে যেতিয়া কাশ্যপ মাতংগ আৰু ধৰ্ম ৰক্ষা নামৰ দুজন বৌদ্ধ ভিক্ষুৱে চীন ভ্ৰমণ কৰি আৰু তাৰ পাছত কেবাজনো চীনা পণ্ডিতে ভাৰত ভ্ৰমণ কৰি আৰম্ভ কৰা চীন ভাৰতৰ বন্ধুত্বৰ সাকোঁডাল আৰু কটকটীয়া হৈছিল।

কিন্তু হায়, হঠাতে কি হৈ গ'ল কেনেও ক'ব নোৱাৰে । ১৯৬২ চনত চীনে হঠাতে ভাৰতীয় ভূমিখণ্ডৰ ওপৰত আক্ৰমণ চলালে । অৱশ্যে তাৰ কিছুদিনৰ পাছতেই যুদ্ধবিৰতি ঘোষণা কৰিলে ।

চীন আৰু ভাৰত আকৌ ওচৰ চাপি আহিছে । অলপতে আমাৰ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ চীন ভ্ৰমণে ভৱিষ্যতৰ বাবে বহুতো আশা কঢ়িয়াই আনিছে । আমি একান্তই কামনা কঁৰো যে এই আশা বাস্তৱত পৰিণত হ'ব ।

Visit us at : http://www.chandamama.org
সম্পাদক : বিশ্বম

হিৰোজ অভ্ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অভ্ ইণ্ডিয়া -২৩

তলত আমাৰ দেশৰ স্বাধীনতা সংগ্ৰামৰ কেইজনমান নেতাৰ কথা কোৱা হৈছে । তোমালোকে বাৰু জানানে তেওঁলোকৰ নাম ।

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হ'ব । *

1. ১৯২০ চনৰপৰা ১৯৪৭ চনৰ ভিতৰত মই প্ৰায় ১৫ বছৰ কাৰাগাৰত কটাইছিলো । মই ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী আছিলো, একেবাৰে সহজ ইংগিত । মোৰ নাম কি ?

---

2. মই 'অভিনৱ ভাৰত' নামৰ এটা আন্তঃ ৰাষ্ট্ৰীয় বিদ্ৰোহী সংস্থা প্ৰতিষ্ঠা কৰিছিলো । এজন মুক্তিযোদ্ধা হিচাপে মই মাৰাঠী ভাষাত লিখিছিলো ভাৰতৰ স্বাধীনতাৰ প্ৰথম সংগ্ৰামৰ ইতিহাস । মোৰ নাম তোমালোকে বাৰু জানানে ?

---

3. মই ভাৰতৰ লৌহ পুৰুষ নামেৰে জনপ্ৰিয় । মই কোন ?

4. ১৯১২ চনত লৰ্ড হাৰ্ডিঞ্জৰ শোভাযাত্ৰাত বোমা বিস্ফোৰণ ঘটনাত মইয়েই আছিলো জগবীয়া । ইণ্ডিয়ান নেশ্যনেল আৰ্মীৰ সৈতে মই ঘনিষ্ঠভাৱে জড়িত আছিলো । মোক তোমালোকে জানানে বাৰু?

---

5. মই ১৯৩০ চনত বিহাৰত লোণ সত্যাগ্ৰহৰ গুৰি ধৰিছিলো । ভাৰতীয় গণৰাজ্যৰ মইয়েই আছিলো প্ৰথম ৰাষ্ট্ৰপতি । মোৰ নাম কি ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা সাহিত্যৰ হিৰো কোনজন আৰু কিয় ভাল লাগে? মোৰ ভাল লগা হিৰো হ'ল...এই বিষয়ে ১০টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম...

বয়স...........................শ্ৰেণী...........................

ঠিকনা...

পিন...........................ফোন...........................

প্ৰতিযোগীৰ চহী...

দেউতাক/মাকৰ চহী...

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 23
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০৩ চনৰ ৫ চেপ্তেম্বৰৰ আগতে পোৱাকৈ উত্তৰ পঠাবা ।

<u>নিয়মাৱলী :</u>

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰপৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হ'ব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হ'ব ।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহ'ব ।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হ'ব ।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

Junior CHANDAMAMA

Do you want your children to sharpen their faculties by working on puzzles?

Come to Junior Chandamama for loads of puzzles and games.

Are you looking out for interesting new stories to be read out to the kiddies?

Pick up a copy of Junior Chandamama, and you'll find them there.

RESERVE YOUR COPY NOW!



SPECIAL OFFER

With every one year's subscription get a

Luxor Junior Crayfun set worth Rs. 45* absolutely Free! Rush!

PAGE AFTER PAGE WILL KINDLE YOUR CHILD'S IMAGINATION

ISSUE AFTER ISSUE, MONTH AFTER MONTH

* offer valid upto 30th September, 2003 only.

SUBSCRIPTION FORM

Please enrol me as a subscriber of Junior Chandamama. I give below the required particulars:

Name : ....

Address : ....

....

....

PIN Code : ....

I am remitting the amount of Rs.120/- for 12 issues by Money Order/Demand Draft/Cheque No...................... on.................................. Bank .... branch drawn in favour of Chandamama India Ltd., encashable at Chennai (outstation cheque to include Rs.25/- towards Bank Commission).

Place : ....

Date : .... Signature

অযথাই খৰখেদা

কেশৰ ভৈৰৱপুৰৰ নিবাসী আছিল । সাঁতোৰত সি অতি নিপুণ আছিল । সকলো কামতে তাৰ খৰধৰ । যিকোনো কাম সি তৎমুহূৰ্ত্তে কৰি শেষ কৰিব খুজিছিল ।

অলপতে কেশৱে জীয়েকক বিয়া দিছে আৰু তাই থাকে স্বামীৰ সৈতে সুৱাগপুৰীত। এনেকুৱা কিছুমান বস্তু আছে যিবোৰ কেৱল ভৈৰৱপুৰতহে পোৱা যায় । সুবিধা পালেই ততাতৈয়াকৈ কেশৱে এনেবোৰ বস্তু জীয়েকলৈ পঠিয়াইছিল । এবাৰ এনেকুৱা বহুত বস্তুৰ এটা ডাঙৰ টোপোলা বান্ধি কেশৱ সুৱাগপুৰীলৈ যাম বুলি নৈৰ পাৰত ওলালহি । সি দেখিলে দুই কিলোমিটাৰ মান দূৰৈত যাত্ৰীৰে ঠাহ খাই থকা এখন নাও।

সি ভাবিলে সোনকালে নাওখন ধৰিব নোৱাৰিলে টোপোলাত অনা দুই এটা বস্তু বেয়া হৈ যাব পাৰে । সি মনতে ঠিক কৰিলে যেনে তেনে হ'লেও নাওখনৰ ওচৰলৈ গৈ তাত উঠি ল'ব লাগিব । নিজৰ ধুতি, কুৰ্ত্তা খুলি লৈ, মূৰৰ গামোচা কঁকালত বান্ধি কেশৱে টোপোলাটো নিজৰ মূৰত লৈ বিজুলীবেগেৰে নৈৰ পানীত সাঁতুৰি নাওখনৰ ওচৰলৈ যাবলৈ ধৰিলে ।

তাৰ প্ৰচেষ্টা সফল হ'ল । সি নাওখনত বহি ল'লে । তাৰ সমুখতে বহা শৰতে আচৰিত হৈ মাত লগালে "নাৱত উঠিবলৈ তুমিনো ইমান খৰখেদা কৰিছা কিয় ? নদীৰ পাৰলৈকে বুলি নাওখন গৈ আছে । আৰু দেখিছো মানুহো তেনেকৈ নাই । সুৱাগপুৰী যাবলৈ তুমি পাৰত থাকিয়েই আসন পালাহেঁতেন ।"

এতিয়াহে কেশৱে বুজিলে যিখন নাৱত যাত্ৰা কৰিবলৈ সি ইমান খৰখেদা লগালে সেই নাওখন সুৱাগপুৰীৰপৰা ভৈৰৱপুৰলৈকে আহি আছে আৰু এইখন নাৱেই সুৱাগপুৰীলৈ যাব।



গুণেহে তৰে তংসাৰ

পৱন ৰামৰতনপুৰৰ নিবাসী আছিল । ৰঘু আৰু মধু নামৰ তেওঁৰ দুটা ল'ৰা আছিল । সৰুতে এবাৰ উতলা পানী গাত পৰা বাবে বৰ পুত্ৰ ৰঘুৰ গাত পোৰা দাগ ৰৈ গৈছিল । মুখতো ক'লা দাগ পৰিছিল । সেয়ে দেখিবলৈ সি কুৎসিত হৈ পৰিছিল । কিন্তু সি পৰিষ্কাৰ মনৰ আছিল । তাৰ কথা বতৰাও বৰ ভাল আছিল। সৰু পুত্ৰ মধুৰ স্বভাৱ ৰঘুৰ সম্পূৰ্ণ বিপৰীত আছিল । সি নিজৰ ধুনীয়া চেহেৰা লৈয়ে ক'ব নোৱাৰা হৈ আছিল ।

এদিন পৱনে পথাৰত ছাগলীবোৰ একে ঠাইতে গোট খুৱালে । তেতিয়া গৰমৰ দিন আছিল । ৰঘুৱে গছৰ সৰু সৰু ঠেঙুলিবোৰ কাটি তাৰ পাতবোৰ ছাগলীক খুৱাবলৈ ধৰিলে। মধুৱেও তাক সহায় কৰিবলৈ ধৰিলে।

ইমান গৰমতো দুই পুত্ৰক কাম কৰি থকা দেখি আনন্দিত হৈ পৱনে ক'লে, "ৰঘু, সৌ যে টিলাটো দেখিছ, যাচোন তাৰপৰা দুটামান ৰঙা আলুকে লৈ আহগৈ । পুৰি খাব পৰা যাব ।"

দেউতাকৰ কথা মতে ৰঘুৱে ততাতৈয়াকৈ টিলাটোলৈ গৈ দুটামান ৰঙা আলু লৈ আহিল । ইয়াৰ মাজতে মধুৱে শুকান ঠেঙুলিবোৰ একেলগ কৰিলে । আৰু জুই ধৰি সেইবোৰ পুৰিবলৈ ললে । যেতিয়া বাপেক-পুতেকে সেয়া খাই আছিল ঠিক সেই সময়তে গাঁৱৰ পুৰোহিত ধনঞ্জয় শাস্ত্ৰী ওলালহি ।

পৱনে তেওঁক সম্ভাষণ জনাই ক'লে, "আপুনি ঠিক সময়তে ওলালহি । ৰঙা আলু আৰু দুটামান অনাও নেকি ? ঘৰলৈ লৈ যাব পাৰিব ।"

"নিশ্চয় ! মনতে মইয়ো তাকেই ভাবি আছিলো, কিন্তু কথাটো ক'বলৈহে সংকোচ হ'ল । কিন্তু এই চৌকলীয়া ৰ'দত মই পিছে অন্য এটা কামতহে ইয়ালৈ আহিছো ।" শাস্ত্ৰীয়ে ক'লে ।

"দেউ, কওকচোন, কি সকামতনো আহিলে ?" পৱনে সুধিলে । "পৱন, তুমিতো জানাই যে এইখন গাঁৱৰ ওপৰত

ভৰসা কৰিয়েই মই জীয়াই আছো । মই দানত এজনী গাই পালোঁ । তাইক খাবলৈ ঘাঁহ অকণকে নালাগিব জানো । তোমালোকৰ পুৰোহিত হিচাবে মই তোমাপৰা এবস্তামান ঘাঁহ বিচাৰিছোঁ ।" শাস্ত্ৰীয়ে ক'লে ।

"যিহকে লাগে খুজিবলৈ আপোনাৰ পূৰা অধিকাৰ আছে । গাইজনীৰ চোৰা-চিতা কৰিবলৈ আপোনাৰ অসুবিধা হ'লে মোৰ ইয়ালৈকে পঠাই দিব । মোৰ বাকী জীৱ-জন্তুবোৰৰ লগতে মই তাইৰো ভালকৈ চোৰা-চিতা কৰিম । ঘাঁহৰ বস্তাটো মোৰ কোনোবা এটা ল'ৰাই আপোনাক দি থৈ আহিব । আহক, সেই গছজোপাৰ তলতে বহি কথা পাতোঁ ।" এইদৰে কৈ তেওঁলোকে গছজোপাৰ ছাঁত বহিলহি ।

ইতিমধ্যে ৰঙাআলু কেইটা উঘালি মধুও সেইখিনি পাইছিলহি । সি ক'লে "দেউ, বেয়া নাপাব । আপুনিতো জানেই যে মই এজন সুন্দৰ যুৱক । বিয়াৰ বাবে কোনো সমস্যাই নাই । যি কোনো মানুহেই নিজৰ কন্যাক মোলৈ দিবলৈ ৰাজী হ'ব । ৰঘু বয়সত মোতকৈ ডাঙৰ । মই এইটো ক'ব নোখোজো যে সি দেখিবলৈ কুৎসিত, কিন্তু সি ৰুগীয়া । যেতিয়ালৈকে তাৰ বিয়া নহয়, মোৰো বিয়া হোৱাৰ কোনো সম্ভাৱনা নাই । সেয়েহে, আপুনিয়ে মোৰ দাদাৰ কাৰণে পাত্ৰীৰ সন্ধান কৰক । ছোৱালী যেনেকুৱাই নহওক লাগিলে ।"

মধুৰ কথাই ৰঘুক মনত বৰ দুখ দিলে । পৰৱৰো মধুৰ ওপৰত খং উঠিল, কিন্তু তেওঁ নিজৰ খং প্ৰকাশ কৰি নেদেখুৱালে ।

শাস্ত্ৰীয়ে ৰঙাআলু কেইটা হাতত লৈ ক'লে, "মধু, তুমি এইবোৰ কি কথা কৈছা ! এনেকুৱা কথা ভুলতো ক'ব নাপায় । অইনৰ মনত দুখ দিয়াটো পাপ । সেইটো কুৰূপ হোৱাতকৈ ডাঙৰ দোষ ।" পুনৰ ৰঘুৰ ফালে চাই ক'লে, "ৰঘু, মানুহৰ বাবে সৌন্দৰ্যতকৈ ডাঙৰ অলংকাৰ হ'ল তেওঁৰ সদগুণ । মোৰ সম্পূৰ্ণ বিশ্বাস আছে যে তুমি এনে এগৰাকী পত্নী পাবা যি তোমাৰ সদগুণত মুগ্ধ হৈয়েই তোমাক বিয়া কৰাব । তুমি ভৱানীপুৰলৈ যোৱা আৰু তাৰ নিবাসী গোপীক লগ কৰা। তোমাৰ লাভ হ'ব ।"

শাস্ত্ৰীৰ কথাই ৰঘুৰ মনত কৌতূহল জগালে। কেইদিনমানৰ পিছত সি ভবানীপুৰলৈ গ'ল । গোপীৰ ঘৰ বিচাৰি উলিওৱাত তাৰ কোনো অসুবিধা নহ'ল। গোপীয়ে ফুলৰ বেপাৰ কৰিছিল । নিজৰ বাগিছাত নানা ৰঙৰ ফুল লগাইছিল আৰু বেচিছিল । তাতে তেওঁ এটা ধুনীয়া ঘৰ সজাই

লৈছিল আৰু নিজৰ পত্নী বীনা আৰু কন্যা জ্যোতিৰ লগত আৰামেৰে জীৱন কটাইছিল।

ৰঘুক দেখি গোপীয়ে ভাবিলে, যে কোনোবা নিশ্চয় ফুল কিনিবলৈ আহিছে । কিন্তু যেতিয়া তেওঁ আচল কথা গম পালে তেতিয়া বৰ আদৰ-সাদৰ কৰিলে । পত্নী আৰু কন্যাৰ লগতো চিনাকী কৰাই দিলে ।

অলপ সময় কথা পতাৰ পিছত গোপীয়ে ক'লে, "চোৰা, কেই বছৰমান আগতে চুৰি কৰোঁতে মই ধৰা পৰিলোঁ আৰু জেলৰ ভাত খালো । মোৰ ওপৰত চোৰৰ কলংক লাগিল। জেলৰ পৰা ওলোৱাৰ পিছত কোনেও মোৰ কথা বিশ্বাস নকৰে, কোনেও মোক সহায় কৰিব নুখুজিছিল । মই ভোকত মৰাৰ দৰে হৈছিলো ? সেয়ে মই আকৌ চুৰি কৰিবলৈ ল'লো । সেই আগৰ মানুহঘৰতে মই আকৌ চুৰি কৰিলোঁ কিন্তু এইবাৰো মই ধৰা পৰিলোঁ। সেই মানুহঘৰৰ মালিক বৰ ভাল, বিবেচক আছিল । তেওঁ মোক ক'লে, "জন্মতে কোনো চোৰ হৈ নাহে । পৰিস্থিতিৰ দাস হৈ তুমি চাগৈ চুৰি কৰিছা । শাস্তিয়ে তোমাৰ শুধৰণি নানে । তোমাক আকৌ জেললৈ পঠিওৱাৰ ভুল মই নকৰোঁ ।"

তেওঁ মোক নিজৰ ঘৰতে লগুৱা ৰাখিলে। দুবছৰৰ পিছত যেতিয়া তেওঁৰ পূৰা বিশ্বাস জন্মিল যে মই সলনি হৈছোঁ, তেতিয়া তেওঁ নিজৰ লগুৱা এজনৰ ছোৱালী বীনাৰ লগত মোৰ বিয়া পাতি দিলে । নিঃসন্দেহে মোৰ অৱস্থা এতিয়া ভাল । মই বহুত উপাৰ্জনো কৰিছোঁ। কিন্তু কোনেও মোৰ ছোৱালী জ্যোতিক বিয়া কৰাব নোখোজে । কাৰণ মানুহে ভাবে তাই এটা চোৰৰ জীয়েক । সিহঁতে উপলুঙা কৰি কয় যে মই হেনো চোৰকেই জোঁৱায়েক পতা উচিত ।"



ৰঘুৱে কিবা কোৱাৰ আগতেই বীনাই কৈ উঠিল, "মানুহক সৌন্দৰ্য নালাগে, গুণহে লাগে । তোমাৰ বিষয়ে পুৰোহিত দেউৱে সকলো কৈছে । আমি আমাৰ ছোৱালীক তোমালৈ বিয়া দিব খোজোঁ । তোমাৰ কিবা আপত্তি আছে নেকি ?"

ৰঘুৱে ক'লে, "মই নিজেও জানো যে মই দেখিবলৈ কুৎসিত । আপোনাৰ অসহায় অৱস্থাৰ সুযোগ লৈ আপোনাৰ ছোৱালীৰ মনত মই দুখ দিব নোখোজো । মই তেওঁৰ স্বামী হ'ব নোৱাৰো । মোৰ এটা ভাই আছে। সি আপোনাৰ কন্যাৰ উপযুক্ত পাত্ৰ হ'ব ।" পিছত সি এই খবৰ তাৰ পিতৃলৈ প্ৰেৰণ কৰিলে ।

পৰন, তেওঁৰ পত্নী আৰু তেওঁৰ পুত্ৰ মধু খবৰ পাই ভবানীপুৰ পালেগৈ । মধু জ্যোতিৰ ৰূপ দেখি মুগ্ধ হ'ল কিন্তু যেতিয়া সি গম পালে যে গোপী আগতে চোৰ আছিল, তেতিয়া সি স্পষ্টকৈ ক'লে যে এজন চোৰৰ কন্যাক কোনো কাৰণতেই সি বিয়া নকৰায় ।

জ্যোতিয়ে এই সকলো কথা তল মূৰ কৈ শুনি গ'ল । যেতিয়া তাইৰ সহ্যৰ সীমা পাৰ হৈ গ'ল তেতিয়া তাই মধুক আঙুলি টোঁৱাই ক'লে, "আপুনি এইবোৰ কি কৈছে ? কুলিৰ পোৱালি আৰু কাউৰীৰ পোৱালিৰ মাজত তেনে কোনো পাৰ্থক্য নাই । কুলিয়ে নিজৰ সুমধুৰ কণ্ঠৰে সকলোকে সন্মোহিত ক'ৰে । আপোনাৰ দৰে মানুহ দেখিহে মই এতিয়া গম পালো যে মানুহৰ মাজতো কাউৰীৰ দৰে লোক আছে । আপুনি নাভাবিব যে আপোনাৰ ৰূপ দেখিয়েই কোনোবা ছোৱালীয়ে আপোনাক বিয়া কৰাব । আপোনাৰ কথা কৰ্কশ, মন কদৰ্য। সন্মতি দিলে মই আপোনাৰ দাদাকহে বিয়া কৰাম ।"

সকলোৱে জ্যোতিক প্ৰশংসা কৰিলে । পৰনে মধুক ক'লে, "তোৰ কোনো ছোৱালী পছন্দ নহয় যদি মুখ চম্ভালি কথা ক'বি । যিহকে মুখত আহে, তাকে নকবি । যি নিজকে নিয়ন্ত্ৰনত ৰাখিব নোৱাৰে সিয়েই প্ৰকৃত কুৰূপ ।" পুনৰ ৰঘুক সুধিলে, "ৰঘু, জ্যোতিয়ে তোক বিয়া কৰাবলৈ সাজু আছে। ইয়াত তোৰ সন্মতি আছেনে ?"

ৰঘুৱে সন্মতিৰে মূৰ দূপিয়ালে । তেতিয়া জ্যোতিৰ পিতৃ-মাতৃ আৰু ৰঘুৰ পিতৃ-মাতৃয়ে তেওঁলোকক আশীৰ্বাদ দিলে ।

ৰঘু আৰু জ্যোতিৰ বিয়া হ'ল আৰু দুয়ো নিশ্চিন্ত মনেৰে সুখৰ জীৱন কটাবলৈ ধৰিলে। ৰূপে নহয় গুণেহে সংসাৰ তৰে ।





মায়া সৰোবৰ

17

(মায়া সৰোবৰেশ্বৰ নৰভক্ষী লোকসকলৰ কবলত পৰা সময়তে সিদ্ধসাধক তাত উপস্থিত হয়গৈ । নিজৰ মালিকক ৰক্ষা কৰাৰ প্ৰচেষ্টাত মকৰকেতুৱে সিদ্ধসাধকৰ সেৱক জলবৃক বাক্ষসক আঘাত কৰে । নৰভক্ষী লোকসকলে যেতিয়া তাক বন্দী কৰিবলৈ চেষ্টা কৰে, তেতিয়াই তাত আহি ওলায়হি কেইজনমান অশ্বাৰোহী । ইয়াৰ পাছত)

সিদ্ধসাধকে নিজৰ শানিত শূল মায়া সৰোবৰেশ্বৰৰ বক্ষত লগাই ধৰাত, তেওঁ ভয়তে থৰহৰি কম্পমান হৈ ক'লে, "এইয়াতো ঘোৰ অধৰ্ম । কোনো বীৰেই শত্ৰুক অসাৱধান দেখি তেওঁক মাৰিবলৈ চেষ্টা নকৰে।"

ঠিক পিছ মুহূৰ্ত্ততে সিদ্ধসাধকে নিজৰ শূল মাটিত খুচি লৈ ক'লে, "মই এজন সাধাৰণ বীৰ নহয়, বৰঞ্চ মহাবীৰ । তুমি তোমাৰ তৰোৱাল উলিয়াই লোৱা, চোৱা যাওক কাৰ কিমান পৰাক্ৰম। ৰক্ষা কৰা নিজকে ।"

এই কথা শুনি মায়া সৰোবৰেশ্বৰে তেওঁৰ অনুচৰ মকৰকেতুৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে । সেই সময়তে অশ্বাৰোহীসকলৰ নেতা তেওঁলোকৰ সমুখলৈ আহি ঘোঁৰাৰপৰা নামিল ।

সিদ্ধসাধকে ক্ৰোধান্বিত হৈ তেওঁৰ ফালে চাই গৰ্জন কৰি উঠিল, "তুমি কোন হে ? আমাৰ কাজিয়াত তুমি অনাহকতে কিয় দখল দিবলৈ ওলাইছা ?"

অশ্বাৰোহীসকলৰ নেতাই এই প্ৰশ্নৰ

উত্তৰত কেৱল এটা অৱজ্ঞাৰ হাঁহি মাৰিব খুজিলে যদিও নৰবান্দৰ আৰু জলগ্ৰহক দেখি ভয়তে তেওঁ থমকি ৰ'ল । তেতিয়া তেওঁ অনুচ্চ স্বৰেৰে ক'লে, "ইয়াৰ আগতে মই শুনোৱা সাৱধান বাণীতেই তুমি নিশ্চয় গম পাইছা মই কোন ? আৰু কাৰ আদেশত মই ইয়ালৈ আহিছো ?"

"মই তোমাৰ সাৱধান বাণী ঠিকমতে শুনা নাপালো। মই মোৰ শত্ৰু মায়া সৰোবৰেশ্বৰ যাতে পলাই যাব নোৱাৰে তাৰ চেষ্টাত আছিলো । এতিয়া কোৱাচোন ঘোঁৰাৰ ওপৰত উঠি অহা তুমিনো কোন ?" সিদ্ধসাধকে ক'লে ।

অশ্বাৰোহীসকলৰ নেতাই সিদ্ধসাধকক ভৰিৰপৰা মূৰলৈকে এবাৰ চাই ক'লে, "অ' তুমিয়েই বাৰু সেই সিদ্ধসাধক নহয়নে ? আজি কিছু দিনৰ আগতে হিৰণ্যপুৰত থকা শ্মশানত পহৰাদাৰীজনৰ শিৰচ্ছেদ কৰাৰ অপৰাধত আন এজন ব্যক্তিৰ সৈতে তোমাকেই জানো আমাৰ ৰজাৰ ওচৰলৈ অনা হোৱা নাছিল ?"

"তুমি দেখিছো মোৰ পৰিচয় জানায় । কিন্তু তোমাৰ নামটোহে মই মনত পেলাব পৰা নাই ।" সিদ্ধসাধকে ক'লে ।

"মোৰ নাম বীৰসেন । কিন্তু এটা কথা কোৱাচোন, মহাৰাজ কনকাক্ষৰ পুত্ৰ কন্যাৰ সন্ধানত তোমাৰ লগত অহা জয়শীল নামৰ সেই যুৱকজননো গ'ল ক'লৈ ?" বীৰসেনে সুধিলে।

"জয়শীল হাঁহে টনা ৰথত উঠি আকাশত ঘূৰি ফুৰিছে ছাগৈ । ভাল বাৰু, এতিয়া তুমি অলপ আতৰাচোন । বীৰৰ ভাও ধৰা এই কাপুৰুষ জল মানৱক সিপুৰীলৈ পঠিওৱাৰ ব্যৱস্থা কৰো ।" এইবুলি কৈ সিদ্ধসাধকে নিজৰ শূল ওপৰলৈ তুলি ললে ।

"মই ইয়াত তেজৰ নৈ বোৱাটো মুঠেই কামনা নকৰো ।" এইবুলি কৈ বীৰসেনে তেওঁৰ অশ্বাৰোহী অনুচৰসকলক এটা ইংগিত দিলে ।

অশ্বাৰোহীসকলে তৰোৱাল লৈ সিদ্ধসাধকৰ ফালে আগবাঢ়ি আহিল । সিদ্ধসাধকে চাৰিওফালে এবাৰ চাই বীৰসেনক ক'লে, "আমাৰ চাৰিওফালে আজি বহুদিন ধৰি ভোকে লঘোনে থকা নৰভক্ষী লোকে পিয়াপি দি ফুৰিছে । সিহঁতি বিচাৰিলে তোমাক তথা তোমাৰ অনুচৰসকলক মুহূৰ্ত্ততে ভক্ষণ কৰিব পাৰে। ইয়াৰপৰা লাভ হ'ব নৰভক্ষীহঁতৰেই । হানি হ'ব তোমাৰ ।"

"কি হানি বিঘিনি হয় সেইটো পিছত

দেখা যাব । ইয়াৰপৰা কিছু দূৰৈত ৰজা কনকাক্ষই শিবিৰ পাতি আছে । তোমালোক সকলো তালৈ আহা । তাতেই বিচাৰ হ'ব।" বীৰসেনে ক'লে ।

সিদ্ধসাধকে বীৰসেনৰ ফালে ক্ৰোধিত দৃষ্টিৰে চাই ক'লে । "এইটো তোমাৰ আদেশ নে অনুৰোধ ? মহাকালৰ আদেশৰ বাহিৰে মই আন কাৰো আদেশ পালন কৰিব নোৱাৰো ।"

জলবৃক ৰাক্ষসে বুজি পালে যে তাৰ গৰাকী অশ্বাৰোহীসকলৰ নেতাৰ প্ৰতি ৰুষ্ট হৈছে । নিজৰ গদাটো কান্ধত লৈ সি ভৰিৰে মাটিত জোৰেৰে আঘাত কৰিলে । ইফালে নৰবান্দৰৰ প্ৰচণ্ড চিৎকাৰত সমগ্ৰ অৰণ্য কপি উঠিল । এই বিকৃত আকৃতিৰ দুই প্ৰাণীৰ অট্টহাস্য শুনি এটা ঘোঁৰাই তাৰ পিছ ঠেং দুখনত ভৰ দি চিঞৰি উঠিল । ফলত তাত উঠি থকা মানুহজন মাটিত পৰি যোৱাত ঘোঁৰাটোৱে ভিৰাই লৰ মাৰিবলৈ ধৰিলে ।

এইবোৰ দেখি কম্পিত বীৰসেনে শ্ৰদ্ধাসহকাৰে সিদ্ধসাধকক ক'লে, "মহাশয়, আপুনিও মোৰ দৰে হিৰণ্যপুৰৰ নাগৰিক । আপুনিনো মহাৰাজক এবাৰ দৰ্শন দিবলৈ অমান্তি হৈছে কিয় ?"

এই কথা শুনি পৰম আনন্দিত হৈ সিদ্ধসাধকে ক'লে । "তুমি যি কৈছা, ঠিকেই কৈছা । বলা, মইয়ো ৰজাৰ ওচৰলৈ যাওঁ । কিন্তু লগতে আমি এই নৰভক্ষীহঁতক তথা সৰোবৰৰ দুষ্টহঁতকো ৰজাৰ ওচৰলৈ নিবই লাগিব ।" কিন্তু মায়া সৰোবৰেশ্বৰ আৰু মকৰকেতুক তাত নেদেখি তেওঁ খঙত অগ্নি



শৰ্মা হৈ ক'লে, "এই পাপীষ্ঠহঁত গ'ল ক'লৈ?"

সেই সময়তে আটাইবোৰ নৰভক্ষী লোকে গিৰ্জনি মাৰি হাঁহিলে । সিহঁতৰ নেতা শ্বেৰসিং আৰু বৃদ্ধ পূজাৰী গণাচাৰী আগবাঢ়ি আহি সিদ্ধসাধকক ক'লে, "যেতিয়া তুমি আৰু এই অশ্বাৰোহী কাজিয়াত মত্ত আছিলা, তেতিয়াই ছেগ চাই দুয়ো অৰণ্যৰ ভিতৰলৈ পলাই গ'ল, তেওঁলোকক ধৰিবলৈ আমাৰ জাতিৰ কেইজনমান লোক অৰণ্যে পিছে পিছে গৈছে ।"

"এই দুই অধম পলাই যোৱা বুলি তোমালোকে মোক নক'লা কিয় ? দুয়োকে ধৰিব নোৱাৰালৈকে তোমালোকক বন্দী কৰি ৰখা হ'ব বুজিলানে ?" এইবুলি কৈ সিদ্ধ সাধকে জলবৃক ৰাক্ষসক আদেশ দিলে, "জলবৃক । এঁওলোক দুয়োকে লৈ যোৱা আৰু এটা ঘোঁৰাৰ পিঠিত আটি আটি বান্ধি থোৱাগৈ।"

জলবৃক ৰাক্ষসেও বিজুলী বেগেৰে গৈ

দৌৰি অহা এগৰাকী যুৱতীক । পিছে পিছে খেদি অহা এটা বাঘৰপৰা নিজকে ৰক্ষা কৰিবলৈ যুৱতীয়ে গছত উঠাৰ চেষ্টা কৰিছিল বা তললৈ ওলমি পৰা গছৰ ডালবোৰেদি ওপৰলৈ বগাই যাব খুজিছিল ।

হাঁহে টনা ৰথৰ ওপৰত থকা বৈদ্যদেৱ নাম লোৱা দেৱশৰ্মাই পোনপ্ৰথমে সেই দৃশ্য দেখিলে । ক্ষন্তেকৰ বাবে তেওঁৰ সৰ্বশৰীৰ কঁপি উঠিল । তেতিয়া তেওঁ ওচৰতে বহি থকা জয়শীলৰ কান্ধত হাত ৰাখি ক'লে, "জয়শীল ! বাঘে খেদি যোৱা সেই যুৱতী গৰাকী দেখিছানে ? তেওঁৱেই কাঞ্চনমালা । মায়া সৰোবৰেশ্বৰৰ অনুচৰসকলে অপহৰণ কৰি নিয়া ৰজা কনকাক্ষৰ দুহিতা। কোৱা, এতিয়া আমি কি কৰো ?"

জয়শীলে সেই দৃশ্য দেখাৰ লগে লগে ৰথত থিয় হৈ সাৰথিক নিৰ্দেশ দিলে, "শুনা, তুমি তৎক্ষণাৎ ৰথখন তললৈ লৈ যোৱা ।"

অংগৰক্ষকে মূৰ তললৈ কৰি এজোপা বিশাল বৃক্ষ দেখি ক'লে, "মহাশয়, ইয়াত ৰথ তললৈ নিয়া সম্ভৱ নহ'ব । আৰু অলপ দূৰ গৈ সৌ যে খালী পথাৰখন দেখিছে তাতে ৰথখন নমাব পৰা যাব ।"

এই কথা শুনি ক্ৰোধান্বিত হৈ জয়শীলে ক'লে, "হেৰ মূৰ্খ, ৰথখন এখন সুৰক্ষিত স্থানত অৱতৰণ কৰাবগৈ যে তুমি সেই কথা মই বুজি পাইছো । কিন্তু সেইখিনি সময়লৈ ৰাজকুমাৰী বাঘৰ আহাৰ হ'বগৈ । তৎক্ষণাৎ ৰথ তললৈ কৰা । মই গছৰ ডালত ধৰি ৰাজকুমাৰীক বচাবলৈ প্ৰয়াস কৰিম ।"

জয়শীলৰ আদেশ পাই অংগৰক্ষকে হাঁহৰ ডিঙিত বান্ধি থোৱা ৰচী তলৰ ফাললৈ টানি

শ্বেৰসিং আৰু বৃদ্ধ গণাচাৰীক ধৰি পলালে । এটা ঘোঁৰাত উঠি থকা এজন ব্যক্তিক জলবৃক ৰাক্ষসে নিজৰ গদাৰে কোবাই বগৰাই দিলে আৰু ঘোঁৰাৰ পিঠিত শ্বেৰসিং আৰু গণাচাৰীক বান্ধি পেলালে ।

ইয়াৰ পাছত সিদ্ধসাধকে বীৰসেনক ক'লে, "তুমি আগে আগে গৈ মোক ৰাস্তা দেখুৱাই নিয়া । আমি আটায়ে ৰজা কনকাক্ষৰ দৰ্শন লৈ আহোগৈ ব'লা ।" এইবুলি কৈ সাধকে নৰবান্দৰক হেঁচুকি দিলে ।

অশ্বাৰোহীসকলৰ নেতাই তেওঁৰ অনুচৰসকলক ৰজা কনকাক্ষৰ শিবিৰ অভিমুখে আগবাঢ়িবলৈ নিৰ্দেশ দিলে । তেওঁলোকৰ পিছে পিছে গ'ল নৰবান্দৰৰ কান্ধত উঠি অহা সিদ্ধসাধক । সেই সময়তে অৰণ্যৰ আন এঠাইত হাঁহে টনা ৰথত উঠি গৈ থকা জয়শীল আৰু তেওঁৰ লগৰীয়া-সকলে ওপৰৰপৰা দেখিলে প্ৰাণৰ ভয়ত

দিলে । হাঁহবোৰে ৰথখন গছৰ শীৰ্ষলৈকে নমাই আনিলে । জয়শীলেও বিলম্ব নকৰি ৰথৰপৰা জপিয়াই পৰিল আৰু এজোপা গছৰ ওপৰত পৰি নিজৰ দুখন হাতেৰে গছজোপাৰ ডাল এটাত খামুচি ধৰিলে, কিন্তু তেওঁৰ ওজন সহিব নোৱাৰি ডালটো ভাঙি থাকিল ।

গছৰ ডালটো ভাঙি যোৱাত জয়শীলে নিজৰ হাত-ভৰি যাতে ভাঙি নাযায় তাৰবাবে সময় থাকোতেই মাটিত জপিয়াই পৰিল । সেই সময়তে কাঞ্চনমালাক খেদি অহা বাঘটোৱে গছভঙাৰ শব্দ শুনি পিছলৈ ঘূৰি চালে । সুযোগ বুজি কাঞ্চনমালাই ওচৰৰে এটা ডালত ধৰি ওপৰলৈ উঠি যাবলৈ চেষ্টা কৰিলে । কিন্তু বাঘটোৱে আকৌ গুজৰণি মাৰি ৰাজকুমাৰীক আক্ৰমণ কৰিবলৈ উদ্যত হ'ল । জয়শীলৰ খাপৰপৰা তৰোৱাল উলিয়াবলৈ সময় নাছিল, সেয়েহে ক্ষিপ্ৰতাৰে দৌৰি তেওঁ বাঘটোৰ পিছ ঠেং দুটা ধৰি বাঘটো দূৰলৈ দলিয়াই দিলে ।

ইফালে কাঞ্চনমালা গছৰ ডালটোত ধৰি ওলমি আছিল । ৰাজকুমাৰীয়ে জয়শীলক দেখি ক'লে, "মহাশয়, সময়মতে আহি আপুনি মোক বাঘৰ মুখৰপৰা ৰক্ষা কৰিলেহি। মই আজীৱন আপোনাৰ ওচৰত কৃতজ্ঞ হৈ থাকিম ।"

জয়শীল ৰাজকুমাৰীৰ সৌন্দৰ্য দেখি বিস্ময়ত অভিভূত হ'ল । ইমান দিন অশেষ যাতনা ভুগি অৱশেষত তেওঁ ৰজা কনকাক্ষৰ দুহিতা কাঞ্চনমালাক উদ্ধাৰ কৰিব পাৰিলে, কিন্তু ৰাজকুমাৰীৰ ভ্ৰাতৃ কাঞ্চনবৰ্মা ক'ত ? জয়শীলে চিন্তা কৰি পাৰ নাপালে।

জয়শীলে সেই অপৰূপ যুৱতীক ক'লে,

"তোমাৰ নাম যে কাঞ্চনমালা সেই কথা মই জানো । এইটোও জানো তুমি কোন দেশৰ ৰাজকুমাৰী ? পিছে তোমাৰ ভ্ৰাতা কাঞ্চনবৰ্মা ক'ত ? তুমিনো হাঁহে টনা ৰথৰপৰা বাগৰি পৰিও নিজৰ প্ৰাণ কেনেকৈ বচালা ?"

জয়শীলে এনেদৰে কথা কৈ থাকোতেই কাঞ্চনমালা গছৰ ডালৰপৰা তললৈ নামি আহিল । তেওঁ এই কথা ভাবি আচৰিত হ'ল যে এই সাহসী আৰু সুদৰ্শন যুৱকজনেনো মোৰ কথা ইমানখিনি জানিলে কেনেকৈ ? ৰাজকুমাৰীয়ে কোমল মাতেৰে ক'লে, "মহাশয়, সৌভাগ্যক্ৰমে মই ৰথখনৰপৰা এটা খালত পৰি যোৱাত মোৰ প্ৰাণ ৰক্ষা পৰিল । ৰথত মোৰ লগত থকা মায়া সৰোবৰেশ্বৰ আৰু তেওঁৰ সাৰথিজন মোৰ দৰে হয়তো এই অৰণ্যৰ ক'ৰবাত জীয়াই আছে ।"

এই কথা শুনি জয়শীলে ক'লে, "মই মায়া

সৰোবৰেশ্বৰৰ বিষয়ে দুই চাৰিটা কথা জানো। তেওঁৰেই সেৱক সৰ্পনখ আৰু সৰ্পস্বৰৰ লগতে আন এজন প্ৰধান ব্যক্তিৰ সৈতে মোৰ ইতিমধ্যে পৰিচয় হৈছে। এতিয়া মই মায়া সৰোবৰৰপৰা তোমাৰ ভ্ৰাতৃক বন্ধনমুক্ত কৰিব লাগিব। সম্ভৱত : তালৈ যোৱা ৰাস্তাৰ কথা তুমিয়েই মোক ক'ব পাৰিবা। কিন্তু তাৰ আগতে আমি এই অৰণ্যৰ ক'ৰবাত থকা মোৰ মিত্ৰ সিদ্ধসাধকক লগ ধৰিব লাগিব।"

ইয়াৰ পাছত কাঞ্চনমালা জয়শীলৰ সৈতে যাবলৈ সাজু হওঁতেই জয়শীলৰ প্ৰহাৰত কঁকাল ভগা অচেতন বাঘটোৱে সংজ্ঞা ঘূৰাই পালে আৰু পুনৰায় গোজৰণি মাৰি দাঁত নিকটাই দুয়োকে আক্ৰমণ কৰিবলৈ উদ্যত হ'ল।

জয়শীলে হাতত তৰোৱাল লৈ বাঘটোৰ ফালে আগবাঢ়ি ক'লে, "লাগিলে ই যিমানেই হিংস্ৰ নহওক কিয়, এনেদৰে ঘাইল কৰি ইয়াক এৰি যাব নোৱাৰি। ৰ'বা, মই ইয়াক সিপুৰীলৈ পঠিওৱাৰ ব্যৱস্থা কৰো।"

"ইও কেনে ভয়ংকৰ বাঘ! আপুনি এইখিনি আহি পোৱা সামান্য পলম হোৱা হ'লেই বাঘটোৱে মোৰ ডিঙি চিঙি লৈ মহা আনন্দৰে ভক্ষণ কৰিলেহেঁতেন।" এইবুলি কৈ কাঞ্চনমালা জয়শীলৰ পিছে পিছে বাঘটোৰ ফালে ভয়ে ভয়ে আগবাঢ়িল।

তেনেতে ঘন জাৰণিৰ মাজৰপৰা ওলাই অহা জলগ্ৰহ হাতীৰ ওপৰত উঠি এই গোটেইটো দৃশ্য দেখি থকা মায়া সৰোবৰেশ্বৰে মূৰ ঘূৰাই তেওঁৰ ওচৰতে ঘোঁৰাত উঠি থকা মকৰকেতুক ক'লে, "জয়শীলক বন্দী কৰাৰ এইটোৱেই সুবৰ্ণ সুযোগ। তুমি তৎক্ষণাৎ দীঘল জৰী এডাল দলিয়াই জয়শীলৰ ডিঙি বান্ধি পেলোৱা।"

"মহাৰাজ, এই জয়শীল মহা পৰাক্ৰমী। এওঁৰ লগত শত্ৰুতা কৰি আমি আমাৰ বিপদ চপাই নোলোৱাই ভাল হ'ব।" এইবুলি কৈ মকৰকেতুৱে ভয়তে কঁপিবলৈ ধৰিলে।

"ধিক! তোমাৰ দৰে কাপুৰুষ দেখা নাই।" এইবুলি কৈ মায়া সৰোবৰেশ্বৰে খঙতে মকৰকেতুৰ হাতৰপৰা এডাল মজবুত ৰচী কাঢ়ি আনি জলগ্ৰহক কিছু আগবাঢ়িবলৈ দি ৰচীৰ মুঠিটো টানকৈ ধৰি ৰচীডাল শূণ্যতে দুই-চাৰিবাৰ ঘূৰাই জয়শীলৰ ডিঙিলৈ লক্ষ্য কৰি মাৰি পঠিয়ালে। (ক্ৰমশঃ)

ৰজা বিক্ৰম
আৰু বেতালৰ
নতুন কাহিনী

ময়ূৰৰ কাহিনী

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল। গছৰপৰা মৰাশটো নমাই কান্ধত পেলাই লৈ তেওঁ নীৰৱে শ্মশান অভিমুখে আগবাঢ়িল । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, তুমি দেখা নাইনে কেনে ঘোৰ অমানিশা! ভয়ংকৰ জীৱ-জন্তুৰ আবাসস্থল এই শ্মশানত ঘূৰি ফুৰোতে কেতিয়া তুমি কাৰ চিকাৰ হোৱা কোনে জানে? প্ৰাণৰ শংকা থকাতো তুমি দেখিছো নিৰ্ভয়ে গৈ আছা । গোটেই কামটো তোমাৰ খুব সহজ যেন বোধ হৈছে । চাবা আকৌ, চিৰদিনৰ বাবে যাতে থমকি ৰ'ব লগীয়া নহয় ।

পিছে এটা কথা । প্ৰকৃতিৰ বৈপৰীত্য আৰু তাত বসবাস কৰা



জীৱ-জন্তুৰ প্ৰকৃতি সম্বন্ধে পণ্ডিত আৰু অজ্ঞানীৰ ধ্যান-ধাৰণাত কেতিয়াবা আকাশ-পাতাল প্ৰভেদ দেখা যায় । তাকে দেখুৱাবলৈ মই তোমাক চন্দ্ৰশৰ্মা নামৰ এজন চিত্ৰকাৰৰ কাহিনী শুনাব খুজিছো । নিজৰ ভাগৰ মাৰিবলৈ তুমি কাহিনীটো মন দি শুনা।" এইবুলি কৈ বেতালে কাহিনীটো আৰম্ভ কৰিলে ।

সুবৰ্ণ দেশৰ ৰজাৰ নাম আছিল সুবৰ্ণদেৱ। নিজৰ দেশৰ প্ৰকৃতিৰ সুৰক্ষাৰ বাবে তেওঁ চেষ্টাৰ ক্ৰুটী কৰা নাছিল । গছ-গছনি আৰু জীৱ-জন্তুৰ যথাযথ ৰক্ষণাবেক্ষণৰ বাবে তেওঁ অনেক ব্যৱস্থা গ্ৰহণ কৰিছিল । প্ৰতি বছৰে দীপাৱলীৰ দিনা তেওঁ ষাড়গৰুৰ দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছিল । আটাইতকৈ সবল-সুঠাম ষাড়গৰুটোক তেওঁ এটা বিশেষ পুৰস্কাৰ প্ৰদান কৰিছিল । লগতে প্ৰকৃতিৰ সুন্দৰ দৃশ্য মনোমোহা ৰূপত ফুটাই তুলিব পৰা চিত্ৰকাৰকো তেওঁ সন্মান যাচিছিল।

ৰাজধানীৰ ওচৰৰে এখন গাঁৱত চন্দ্ৰশৰ্মাৰ ঘৰ আছিল । তেওঁ বৰ দক্ষ চিত্ৰকাৰ আছিল। কাৰোবাৰ প্ৰতিচ্ছবি তেওঁ সাইলাখ একে কৰি আঁকিব পাৰিছিল ।

দীপাৱলীৰ দিনা ৰজাই আয়োজন কৰা চিত্ৰকাৰসকলৰ প্ৰতিযোগিতাত এবাৰ চন্দ্ৰশৰ্মাই ভাগ লবলৈ থিৰাং কৰিলে । তেওঁ দুফুট দীঘল আৰু এফুটবহল কাঠৰ এটা টুকুৰা গোটাই লৈ তাত দুটা সুন্দৰ ময়ূৰৰ চিত্ৰ আঁকি উলিয়ালে । ছবিখন দেখিলে এনেকুৱা লাগিছিল দুয়োটা ময়ূৰে পেখম ধৰি এটাই আনটোৰ আগত যেন সঁচাকৈ নাচিহে আছে।

ছবিখন দেখি এজনে ক'লে, "বাহ ! কেনে অদ্ভুত চিত্ৰ । এইখন ছবি ঘৰৰ প্ৰবেশদ্বাৰত ওলোমাই থলেতো ঘৰখনৰ শোভা চাৰিগুণ বাঢ়িব ।"

চিত্ৰকলাৰ সৈতে পৰিচিত আন এজনে ক'লে, "তুমি ময়ূৰৰ ডিঙিৰ ৰঙ ফুটাই তুলিবলৈ, এটা অপূৰ্ব মিশ্ৰণৰ সহায় লৈছা । ৰঙেৰে এনেকৈ কোনেও এনে বিশিষ্টতা নিশ্চয় আনিব নোৱাৰে । ৰজাই ছবিখন দেখিলে তোমাক নিশ্চয় এশ স্বৰ্ণ মুদ্ৰা দিব ।

ময়ূৰৰ ছবিখন দেখি প্ৰশংসাত পঞ্চমুখ হোৱা মানুহক চন্দ্ৰশৰ্মাই সোধে, "সচাঁকৈয়ে বাৰু ছবিখন ইমান ভাল হৈছে নে ?" অত্যধিক প্ৰশংসা পোৱাৰ আশাতেই তেওঁ এই প্ৰশ্ন কৰিছিল । ছবিখন এখন কাপোৰেৰে মেৰিয়াই-নিৰ্দিষ্ট দিনা চন্দ্ৰশৰ্মা প্ৰতিযোগিতালৈ বুলি ওলাল ।

প্ৰতিযোগিতাৰ প্ৰাৰম্ভতে এলানি যোগ্যতা নিৰ্দ্ধাৰণকাৰী পৰীক্ষা লোৱা হৈছিল । এই পৰীক্ষাত উত্তীৰ্ণ হোৱা চিত্ৰকাৰক এখন যোগ্যতা পত্ৰ দি তেওঁৰ ঠিকনাটো লিখি ৰখা হয় । এই কামৰ বাবে ৰজাই নিযুক্ত কৰা বিষয়াজনক চন্দ্ৰশৰ্মাই ছবিখন দেখুৱালে । বিষয়াজন ছবিখন দেখি মন্ত্ৰমুগ্ধ হ'ল ।

মহাৰাজে ছবিখন দেখি বৰ ভাল পাব । চন্দ্ৰশৰ্মাক বিষয়াজনে ক'লে, "ছবিখনে যে প্ৰথম পুৰস্কাৰ পাব তাত সন্দেহ নাই ।" উপস্থিত আন আটাইয়ে তেওঁৰ কথাত হয়ভৰ দিলে ।



সেই সময়তে তাত আহি উপস্থিত হোৱা এগৰাকী যশস্বী চিত্ৰকাৰে ক'লে, "ছবিখন নিসন্দেহে প্ৰথম পুৰস্কাৰৰ যোগ্য । আনকি চিত্ৰকাৰে পেখম ধৰি নাচি থকা ময়ুৰ দুটাৰ পিছফালে থকা গছবোৰকো কি সুন্দৰকৈ ফুটাই তুলিছে ! কেনে নয়নাভিৰাম দৃশ্য !"

তেওঁৰ প্ৰশংসা শেষ হ'ল । তেনেতে আগেয়ে হৈ যোৱা ষাড় গৰুৰ দৌৰত ভাগ লবলৈ অহা কৃষকসকলৰ মাজৰে এজন অৰণ্যবাসীয়ে ডাঙৰকৈ হাঁহি দিলে । ৰজা আৰু আন সভাসদসকলে মানুহজনলৈ ক্ৰোধ ভৰা দৃষ্টিৰে চালে । অৰণ্যবাসীজনে ভয় খালে আৰু লাহেকৈ সভাৰপৰা উঠি যাব খুজিলে । কিন্তু মহাৰাজে তেওঁক ৰ'বলৈ কৈ শান্ত স্বৰত ক'লে, "তোমাৰ এই ছবিখন ভাল লগা নাই নেকি ? কিয় হাঁহিলা কোৱা।"

অৰণ্যবাসীজনে কিবা কবলৈ ইতস্ততঃ কৰাত ৰজাই নিজেই ক'লে, "ভয় নকৰিবা। মই তুমি হঁহাৰ কাৰণহে জানিব খুজিছো । তুমিতো থাকা অৰণ্যত । সেয়েহে পেখম ধৰি নচা ময়ুৰৰ বিষয়ে তোমাৰ নিশ্চয় ভাল ধাৰণা থাকিব ।" ৰজাৰ কথাত কিছু ব্যঙ্গৰ সুৰ আছিল ।

অৰণ্যবাসীজনে ৰজা আৰু চন্দ্ৰশৰ্মালৈ এটা ভয়ৰ চাৱনি নিক্ষেপ কৰি ক'লে, "মহাৰাজ, ছবিখনত এটা ডাঙৰ ভুল থাকি গৈছে ।"

"কোৱাচোন কিনো ভুল যিটো আমাৰ কাৰোৱেই চকুত নপৰিল ।" ৰজাই সুধিলে।

"মহাৰাজ, মতা ময়ুৰেহে পেখম ধৰি নাচে । মাইকী ময়ুৰ থাকে মুগীৰ দৰে । মাইকী ময়ুৰক আকৰ্ষিত কৰিবলৈকে মতা ময়ুৰে পেখম ধৰি নাচে । এটা মতা ময়ুৰে কেতিয়াও আন এটা মতা ময়ুৰৰ আগত নানাচে ।"

মানুহজনৰ কথা শুনি ৰজা আৰু সভাত উপস্থিত থকা আটাইয়ে তেওঁলৈ ক্ৰুদ্ধ দৃষ্টিৰে

চালে। কিন্তু চন্দ্ৰশৰ্মাই এবাৰ মূৰ দাঙি অৰণ্য-বাসীজনক চালে, পুনৰ শিৰ নত কৰি ছবিখন আকৌ কাপোৰেৰে মেৰিয়াই ললে আৰু ৰজাক প্ৰণাম কৰি সভাকক্ষৰপৰা নিশব্দে ওলাই আহিল।

বেতালে গোটেই কাহিনীটো শুনোৱাৰ পাছত ক'লে, "ৰাজন, চন্দ্ৰশৰ্মাৰ ছবিখনক ৰজা আৰু আন সকলোৱেই ভূৰি ভূৰি প্ৰশংসা কৰিছিল। সেইসকলৰ ভিতৰত আছিল ৰাজ কৰ্মচাৰী আৰু পণ্ডিত। এনে অৱস্থাত চিত্ৰকলাৰ সৈতে অপৰিচিত এজন সামান্য অৰণ্যবাসীয়ে ছবিখনত ভুল উলিওৱাটো তেওঁৰ অজ্ঞানতাৰে পৰিচায়ক নহয়নে? অৰণ্যবাসীজনৰ কথাত ক্ৰোধান্বিত নহৈ চন্দ্ৰশৰ্মাই প্ৰতিযোগিতাৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰি নিশব্দে ৰাজসভাৰপৰা ওলাই গ'ল। এজন চিত্ৰকাৰৰ পক্ষে এইটো তেওঁৰ অপৰিপক্কতাৰ চিন নাছিলনে? মোৰ এইবোৰ সন্দেহৰ উত্তৰ যদি তুমি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

বিক্ৰমাদিত্যই তেতিয়া ক'লে, "অৰণ্য-বাসীজন হ'ল সাধাৰণ নাগৰিকৰপৰা দূৰত প্ৰকৃতিৰ বুকুত জীৱন যাপন কৰা লোক। অৰণ্যৰ পশু-পক্ষীবোৰৰ বিষয়ে তেওঁৰ বিস্তৃত জ্ঞান আছে। সেই কাৰণেই তেওঁ চন্দ্ৰশৰ্মাৰ ছবিখনত ভুল উলিয়াব পাৰিলে। ই অজ্ঞানতা নহয়, বৰঞ্চ প্ৰকৃতিক সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰিব পৰা তেওঁৰ অদ্ভুত ক্ষমতাহে। ছবিখনত চিত্ৰিত দুটা অনিন্দ্য সুন্দৰ ময়ূৰ, ছবিখনত ব্যৱহাৰ কৰা ৰঙৰ অভাৱনীয় মিশ্ৰণ-এইবোৰে ৰজা আৰু আন লোকসকলক মন্ত্ৰমুগ্ধ কৰিছিল। সেয়েহে তেওঁলোকে ছবিখন পুৰস্কাৰ পোৱাৰ যোগ্য বুলি ভাবিছিল। কিন্তু অৰণ্যবাসীজনৰ কথাত নিহিত হৈ থকা সত্য আৰু বাস্তৱিকতাত গুণৱান চন্দ্ৰশৰ্মা পতিয়ন গৈছিল আৰু তেওঁৰ এই কথা বুজাত অসুবিধা নহৈছিল যে তেওঁৰ প্ৰকৃতিক ভালকৈ পৰ্যৱেক্ষণ কৰাৰ ক্ষমতা নাই। সেয়েহে তেওঁ নিশব্দে সভাকক্ষ ত্যাগ কৰিছিল।

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ।

(সুমিত্ৰাৰ ৰচনাৰ আলম লৈ)



হেৰোৱা সোণৰ হাৰ

শুভপ্ৰসন্ন কমলপুৰৰ জমিদাৰ আছিল । মানুহে তেওঁক আৰু তেওঁৰ পৰিয়ালবৰ্গক বৰ আদৰ কৰিছিল । শুভপ্ৰসন্নৰ মৃত্যুৰ পাছত তেওঁৰ পত্নী নিৰুপমাই জমিদাৰীৰ কাম চম্ভালিবলৈ ল'লে । তেওঁৰ চাৰিওটি পুত্ৰই মাকৰ প্ৰতিটো কথা মানি চলিছিল আৰু জমিদাৰীৰ কামকাজত মাকক সহায় কৰিছিল। চাৰিওটিৰ মাজত বৰ মিলাপ্ৰীতি আছিল । পিছে চাৰিজনী বোৱাৰীৰ মাজত সদায়ে খুট-খাট লাগি আছিল । এনে সময়ত পৰিস্থিতি যাতে বেয়ালৈ যাব নোৱাৰে তালৈ মাকে সদায় চকু দিছিল ।

এদিন ঘৰখনৰ বনকৰা ল'ৰা মদনে প্ৰভা নামৰ ছোৱালী এজনীক বিয়া কৰাই আনিলে। সেই দিনাই জমিদাৰৰ নুমলীয়া পুত্ৰ ৰমাকান্তৰ এটি পুত্ৰ সন্তান জন্ম হ'ল । দেখাই-শুনাই ধুনীয়া প্ৰভা বৰ কৰ্মপটু আছিল। সোনকালেই তাই নিৰুপমাৰ হৃদয় জয় কৰিবলৈ সক্ষম হ'ল । মৰমতে নিৰুপমাই মাজে সময়ে প্ৰভাক হিচাপৰ বাহিৰত হ'লেও টকা-পইচা দিছিল । অৱশ্যে বোৱাৰীয়েক হঁতে কথাটো বৰ ভাল পোৱা নাছিল ।

তিনি বছৰৰ পাছত ৰমাকান্তৰ এটি কন্যা সন্তান জন্ম হ'ল । তেতিয়ালৈকে ঘৰৰ সকলোৰে বাবে ৰমাকান্তৰ পুতেকহে নয়নৰ মণি আছিল। মৰমতে তাক সকলোৱে বৰমইনা বুলি মাতিছিল । সকলোৱে তাক চুমাৰে আঁকোৱালি লৈছিল আৰু বাহিৰত ফুৰাবলৈ লৈ গৈছিল । চহৰৰপৰা বিভিন্ন পুতলা আনি দিছিল । পিছে ভনীয়েকৰ জন্মৰ পাছৰেপৰা সকলো ছোৱালীজনীক লৈহে ব্যস্ত হৈছিল । বৰমইনাই কথাটো সহিব পৰা নাছিল । সুবিধা পালেই সি ভনীয়েকক টনা আজোৰা কৰিছিল । আৰু ভনীয়েকেও অশান্তি পাই ৰাউচি জুৰি কান্দিছিল । দিন যোৱাৰ লগে লগে বৰমইনাৰ উৎপাতো বাঢ়ি আহিল । ঘৰৰ সকলোৱে এদিন ঠিক কৰিলে অকমানি জনীক এই হাৰাশাস্তিৰপৰা ৰক্ষা

পদ্মলতা ৰাথোৰ

নোহোৱা হোৱাত চন্দ্ৰাৱতীয়ে বৰ ভয় খালে। সেইডালনো কেনেকৈ হেৰাবলৈ পালে সেই কথা কোনেও নুবুজিলে ।

"অলপতে মই গম পালো আপোনাৰ ডাঙৰ ককায়েকৰ সুপুত্ৰ পঢ়াৰ অজুহাতত চহৰলৈ গৈছে । পিছে চহৰত গৈ সি হেনো আনন্দতহে মচগুল । হাতত পইচা লাগে বুলি সিয়েই ছাগে চন্দ্ৰাৱতীৰ হাৰডাল চুৰ কৰি নিলে ।" দ্বিতীয় বোৱাৰী কমলাই গিৰিয়েকক ক'লে ।

"কোন হাবিত কি সাপ থাকে কোনে জানে? আপোনাৰ দ্বিতীয় ককায়েকৰ ছোৱালী দেখাই-শুনাই, কথাই-বতৰাই ভাল হ'লে কি হ'ব পিছে তাইৰ হাতখন বৰ লৰ। আজি দুদিনৰ আগতে মোক নোসোধাকৈ মোৰ কাণফুলি যোৰ পিন্ধি স্কুল পালেগৈ । ভাগ্য ভাল আছিল বুলি পিছত মই দেখা পাই লৈ ল'লো । নিশ্চয় হাৰডাল পিন্ধি যাবলৈ মন যোৱাত কাকো নোসোধাকৈ হাৰডাল নি তাইয়েই নিশ্চয় ক'ৰবাত হেৰুৱালেগৈ ।" তৃতীয় বোৱাৰী ৰাজলক্ষ্মীয়ে নিজৰ গিৰিয়েকৰ কাণত ফুচফুচাই ক'লে ।

"মা আপুনি যিয়েই নকওক, চাকৰ বাকৰক কেতিয়াও মূৰত উঠাই ল'ব নালাগে। সিহঁতক নিজৰ ঠাইতহে থাকিবলৈ দিব লাগে । চাকৰণী প্ৰভাইতো যেতিয়াই য'ত মন যায় গোটেইখন পিয়াপিদি ফুৰে । মইতো তাইকেই সন্দেহ কৰো ।" সৰু বোৱাৰীয়েকেও তাত হয়ভৰ দিলে ।

পিছে নিৰুপমাই প্ৰভাক ভুলতো সন্দেহ কৰা নাছিল । তেওঁ কোনো মন্তব্য নিদিয়াই সমীচীন হ'ব বুলি ভাবিলে ।

কৰিবলৈ বৰমইনাক কেইদিনমানৰ বাবে মোমায়েকৰ ঘৰত থৈ অহা হ'ব ।

পিছে এই কথা শুনাৰ লগে লগে বৰমইনা মোমায়েকৰ ঘৰলৈ নাযাঁও বুলি একেবাৰে নাচোৰবান্দা হ'ল । এদিন প্ৰভাই তাক বৰ মৰমেৰে বুজালে আৰু তাৰ লগতে তাইয়ো মোমায়েকৰ ঘৰলৈ যাব বুলি কথা দিলে । অৱশেষত বৰমইনা মান্তি হ'ল । পিছদিনা দুয়ো বৰমইনাৰ মোমায়েকৰ ঘৰলৈ গ'ল ।

সেইদিনাই ডাঙৰ বোৱাৰী চন্দ্ৰাৱতীৰ সোণৰ হাৰডাল নোহোৱা হ'ল । সদায়ে তেওঁ হাৰডাল পিন্ধিছিল । সেই দিনা গা ধুবলৈ যোৱাৰ আগতে তেওঁ হাৰডাল গোঁসাই ঘৰত থৈছিল । গা ধুই প্ৰাৰ্থনাৰ যা-যোগাৰত ব্যস্ত হওঁতে তেওঁ হাৰডালৰ কথা পাহৰি থাকিল। দুপৰীয়া খাই বৈ উঠিহে তেওঁ গম পালে হাৰডাল নাই । চাৰিটা পুৰুষৰ ডাঙৰ বোৱাৰীয়েকে পিন্ধি অহা হাৰডাল এনেকৈ

চাঁওতে চাঁওতে দুমাহ পাৰ হ'ল । পিছে হাৰডালৰ কোনো খবৰ পোৱা নগ'ল । এদিন বৰমইনাক লগত লৈ প্ৰভা ঘৰ ওলালহি । সেইদিনাই আবেলি ডাঙৰ পুতেক সূৰ্যনাৰায়ণে বনকৰা ল'ৰা মদনক মাতি আনি ক'লে, "চা, মই তোক আমাৰ ঘৰৰ বনকৰা ল'ৰা বুলি নাভাবো । তই মোৰ নিজৰ ভাইৰ দৰে । ঘৰৰ সকলোৱে তোক আপোন বুলি ভাবে । এই কামটোত তই মোক সহায় কৰিব লাগিব চা । তোৰ পত্নী প্ৰভা সৰু ছোৱালী, সংসাৰৰ ভাল বেয়া কথানো তাই জানে কিমান? তইয়েই তাইক সুধি চা, হাৰডাল তাই লোৱা নাইতো? যদি লৈছেও এতিয়া সেইডাল আছে ক'ত?"

মদনে সেই নিশাই কথাটো ঘৈণীয়েকক সুধিলে । প্ৰভাই কোনো উত্তৰ নিদি পোনে পোনে নিৰুপমাৰ ওচৰলৈ আহিল । "বাইদেউ, আপুনি মোৰ মাৰ নিচিনা । চোৰ কাক কয় মই নিজেই নাজানো । কিয় মোক মিছাতে এই অপযশ দিয়া হৈছে ?" তাই কান্দি বান্দি ক'লে ।

নিৰুপমাই প্ৰভাক বুজাই বঢ়াই ঠাণ্ডা কৰিলে । কিন্তু প্ৰভাই সেই গোটেই নিশা শুব নোৱাৰি ছাটি-ফুটি কৰি থাকিল । এই অপযশৰপৰা কেনেকৈ নিজকে মুক্ত কৰিব পাৰে এই চিন্তাই প্ৰভাক অহৰহ আমনি কৰি থাকিল ।

লাহে লাহে গৰমৰ দিন আহিল । এদিন মদনে ডাঙৰ পুতেক সূৰ্যনাৰায়ণক ক'লে, "ককাইদেউ, পিছফালৰ কুঁৱাটো একেবাৰে শুকাই গৈছে । সেইটো খন্দাবৰ সময় হৈছে । আপুনি অনুমতি দিলে কামটো আৰম্ভ কৰিব পাৰি ।"

পানী শুকাই অহাত সূৰ্যনাৰায়ণে সন্মতি

দিলে । কুঁৱা খন্দাৰ কাম আৰম্ভ হ'ল । ঘৰৰ সকলো লোক কুঁৱাৰ ওচৰত গোট খালে । কুঁৱা খন্দা মানুহবোৰে ইটো সিটো বস্তু কুঁৱাটোৰপৰা উলিয়াবলৈ ধৰিলে । চাৰি-পাঁচটা পাচি ভৰি যোৱাকৈ কুঁৱাৰ পৰা বিভিন্ন বস্তু ওলাল । গিলাচ, কাঁহী, বাটি ক'ত কিমান বস্তু!

মাটিত পোত খোৱা অনেক পুতলা ওলাল। আইতাকৰ কোলাত উঠি থকা বৰমইনাই ক'লে, "এই পুতলাবোৰ আকৌ পোৱাত কিমান ভাল লাগিছে নহয়নে আইতা ?"

"বৰমইনা, কচোন আৰু কি কি বস্তু তই কুঁৱাত পেলাইছিলি ?" আইতাকে মৰমেৰে মূৰত হাত ফুৰাই সুধিলে ।

"মই বহুত বস্তু খণ্ডতে কুঁৱাত পেলাই-ছিলো আইতা" বৰমইনাই ক'লে । কুঁৱাটো-খান্দি গৈ থাকোতে এবাৰ জিলিকি থকা এডাল হাৰ ওলাল । কামটো যে বৰমইনাই কৰিছে সেই কথা বুজিবলৈ কাৰো অসুবিধা নহ'ল । কিয়নো ভনীয়েকৰ জন্মৰ পাছৰে-পৰা ঘৰৰ মানুহবোৰৰ তালৈ মৰম কমি অহাত তাৰ বৰ খং উঠিছিল । তাক আনকি কোনেও ভনীয়েকক চুবলৈয়ো নিদিছিল । কথাই কথাই সকলোৰে তাৰ ওপৰত খং কৰিছিল । কোনেও তাক আগৰদৰে চুমা খাই কোলাত তুলি লোৱা নাছিল ।

আইতাকে নাতিয়েকৰ মূৰত হাত ফুৰাই ক'লে, "আমাৰ বৰমইনাই কৰা কামটোৰ পাছত কাৰ যে কিমান সন্দেহ নহৈছিল ! কিন্তু এটা কথা প্ৰমাণিত হ'ল । আগ-পাছ নুগুনি কাৰোবাৰ সততাৰ ওপৰত সন্দেহ কৰা অনুচিত । এই খৰখেদাকৈ লোৱা সিদ্ধান্ত বোৰে বিপদ মাতি আনে । প্ৰমাণ নথকাকৈ বেয়া কাম কৰা বুলি কাৰোবাক সন্দেহ কৰিলে তেওঁক অপমান কৰাৰ দৰে হয় । সেয়েহে ইমান দিনে এই সকলোবোৰ কথা মই সহি সামৰি গলো । যি কি নহওক, এতিয়া সকলোৰে সন্দেহ দূৰ হ'ল । হেৰোৱা হাৰডাল আমি ঘূৰাই পালো । লগতে ঘূৰাই পালো আমি আমাৰ মানবীয়তা ।" নাতিয়েকক কোৱাৰ চলেৰে নিৰুপমাই পুতেক বোৱাৰীয়ে কহঁতক কথাখিনি শুনাই দিলে । মদন আৰু প্ৰভাই তলমূৰ কৰি নিৰুপমাৰ কথাবোৰ শুনি গ'ল ।

ভাৰতৰ পৌৰাণিক উপাখ্যান-১৬

অহিংসাত বিশ্বাসী চৌধুৰী

বছৰেকত এবাৰকৈহে এই উৎসৱমুখৰ পৰিবেশ সৃষ্টি হয়। শিল্পীসকলে মালিকৰ বিশাল ঘৰটোৰ আহল বহল চ'ৰাঘৰত দেৱী কালীৰ মৃন্ময় প্ৰতিমা প্ৰতিষ্ঠা কৰে। উৎসাহ উদ্দীপনাৰে দেৱীক পূজা অৰ্চনা কৰা হয়। ঢোল আৰু চেহনাই বজাই শিল্পী ভাগৰি নপৰে আৰু পূজাৰীসকলে অবিৰাম পাঠ কৰে মন্ত্ৰ। এই পূজা চাবলৈ শ-শ পুৰুষ মহিলা একত্ৰিত হয়। মালিক চৌধুৰীৰ এই আমন্ত্ৰিত অতিথি সকল আহে দূৰ-দূৰণিৰপৰা। অতিথিসকলক উষ্ণ অভ্যৰ্থনা জনোৱা হয়।

উৎসৱৰ আটাইতকৈ দুঃসহ আৰু বিষণ্ণ মুহূৰ্ত্তটো হ'ল বহুতো ছাগলী একেলগে বলি দিয়াৰ সময়টো। বহুতে এই দৃশ্য নোচোৱাকৈ থাকে। আন কিছুমান ভয়ত বিহুল হয়। তথাপিও তেওঁলোকে দৃশ্যটো চায়। আকৌ এই দৃশ্যত আনন্দ পোৱা লোকো আছে।

কিন্তু আটায়ে অন্তহীন প্ৰতীক্ষাৰে বাট চাই থকা মুহূৰ্ত্তটো উপভোগ কৰে মালিক আৰু তেওঁৰ অভ্যাগতসকলে। বলি দিয়া ছাগলীৰ মঙহেৰে তৈয়াৰী বিবিধ সুস্বাদু ব্যঞ্জন বৃহৎ পৰিমাণত তেওঁলোকে ভক্ষণ কৰে।

এনেদৰেই এই উৎসৱ বছৰৰ পিছত বছৰ ধৰি সুকলমে চলি আহিছে। কিন্তু এদিন, উৎসৱৰ বাবে পূৰ্ণ প্ৰস্তুতি চলি থাকোতে যেতিয়া নিয়মীয়াকৈ বলি দিয়া ছাগলীৰ যোগান ধৰোতাসকল এইবাৰৰ চাহিদাৰ কথা সুধিবলৈ আহিল, তেতিয়া চৌধুৰীয়ে হঠাতে



ঘোষণা কৰিলে, "এই বছৰৰপৰা আৰু ছাগলী বলি দিয়া নহ'ব ।"

মালিকৰ বন্ধুবৰ্গ আৰু তেওঁৰ কৰ্মচাৰী সকল হতভম্ব হ'ল । মালিকে কেনেকৈ এই সাতামপুৰুষীয়া পৰম্পৰা একে আষাৰে যতি পেলালে ? কেৱল এইটো উপলক্ষতহে সকলোৱে হেপাহ পলুৱাই মাংস খাবলৈ পায়। এনে এক সুবৰ্ণ সুযোগ হেৰুওৱা কথাটো বাৰু কেনেকৈ সহ্য কৰিব পাৰি ?

কেইজনমানে মালিকৰ পত্নীক লগ ধৰি ক'লে, "আই, আপনি দয়ালু আৰু বিবেকশীলা । বছৰত এবাৰহে দেৱী মা আমাৰ ওচৰলৈ আহে । তেওঁক জানো এনেদৰে তেওঁৰ প্ৰিয় খাদ্যৰপৰা বঞ্চিত কৰা উচিত হ'ব ? দেৱীয়েনো আমাক কি বুলি ভাবিব ? সৰগলৈ ঘূৰি গৈ দেৱীয়েনো আন দেৱ-দেৱীসকলক কেনেকৈ মুখ দেখুৱাব ?"

"সচাঁ কথা ক'বলৈ গ'লে, মই এই জন্তু বলি দিয়াৰ প্ৰথা মুঠেই পচন্দ নকৰোঁ । ই ভক্তিৰ পৰিবেশ বিনষ্ট কৰে । মোৰ স্বামীৰ ভক্তিৰ ভাবতে আমি জানো সন্তুষ্ট হোৱা উচিত নহয়? মই ভাবো, তেওঁৰ এই হৃদয় পৰিৱৰ্তনে আমাৰ সমৃদ্ধিহে আনিব । তেওঁ লাহে লাহে এই ৰক্তক্ষয় সহ্য কৰিব নোৱৰা হৈ আহিছে ।" মালিকৰ পত্নী চৌধুৰী-অনীয়ে ক'লে ।

পিছে তেওঁৰ ওচৰলৈ যোৱা প্ৰতিনিধি দলটো চতুৰ আছিল । এই পৰম্পৰা অব্যাহত ৰাখিবলৈ যাতে তেওঁ স্বামীক বুজায় তাৰ বাবে তেওঁক সৈমান কৰোৱা হ'ল ।

বিয়লি চৌধুৰীয়ে এখন চকীত আৰামেৰে বহি আছিল আৰু লগুৱাই তেওঁৰ ভৰি পিটিকি আছিল । তেওঁৰ কাষতে থিয় হৈ থকা চৌধুৰীঅনীয়ে থেৰোগেৰো কৰি মৌসনা মাতেৰে ক'লে, "পূজাৰ কথা এটাকে আপোনাক ক'ব খুজিছো । আপুনিতো

এজন ব্যক্তিয়ে আত্ম নিয়ন্ত্রণ আহৰণ কৰিব পাৰিলেই তেওঁৰ সকলো সংশয় দূৰ হয় আৰু সাৰ সত্য উপলব্ধি কৰি তেওঁ পৰম প্ৰশান্তিত উপনীত হয়।

- শ্ৰীমদ্ভাগৱত গীতা

জানেই মানুহে এই উৎসৱৰ গুৰুত্বপূৰ্ণ অংগ বলিদানলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে। আপোনাৰ শুভাকাংখীসকলৰ মতে দেৱীয়েই হেনো এইটো পচন্দ কৰে।"

হঠাতে থিয় হোৱা চৌধুৰীক ক্ৰোধিত দেখা গ'ল, "শুভাকাংখী বন্ধু? তেওঁলোকক তুমি শুভাকাংখী বুলিছা? তুমিও নিশ্চয় তেওঁলোকৰ দৰেই অমানৱীয়।" খঙত চৌধুৰীৰ দুচকুৰেদি লোতক বাগৰি আহিল।

চৌধুৰীঅনী বিস্ময়াভিভূত হ'ল। অৱশ্যে একে সময়তে তেওঁ এই কথা ভাবিও সুখী হ'ল যে তেওঁৰ স্বামীৰ মন অহিংসাৰ ফালে ঢাল খাইছে আৰু বলি দিয়াটো অমানৱীয় কাৰ্য বুলি বুজি পাইছে।

"মোক আপনি ভুল নুবুজিব। মই অমানৱীয় নহয়।"

"নাই, নাই। মই বিচাৰো তুমি যাতে মোৰ প্ৰতি অমানৱীয় আচৰণ নকৰা। তুমি দেখিছাই, আজিকালি মই মাংস খাব নোৱাৰো কেৱল মাছহে খাব পাৰো। যোৱা বছৰলৈকে মোৰ প্ৰায় আধাখিনি দাঁত সৰিল। উৎসৱৰ সময়ত বহু কষ্টৰেহে মই মাংস খাঁও। এতিয়া মোৰ আটাইবোৰ দাঁত সৰিল। মই আৰু মাংস মুঠেই চোবাব নোৱাৰো। অৰ্থাৎ মোৰ অতিথিসকলে মহা আনন্দেৰে মাংস খাই থাকোতে মই নিৰামিষ আহাৰ খায়েই সন্তুষ্ট হৈ থাকিব লাগিব। তুমি জানো মোৰ এনে দুৰ্দশা হোৱাটো বিচাৰা? তেনে কৰিলে তুমি জানো মোৰ প্ৰতি অমানৱীয় আচৰণ কৰা নহ'ব?"

চৌধুৰীঅনীয়ে এতিয়াহে উৰহী গছৰ ওৰটো বিচাৰি পালে। তেওঁ মৌন হৈ ৰ'ল।



চায়েই ভাল লাগে

টকা হ'ল ভাৰতীয় মুদ্ৰা । ইয়াৰ নামটো কেনেকৈ হ'ল তোমালোকে বাৰু জানানে ? বাবৰৰ পৰা বাহাদুৰ শ্বাহ জাফৰলৈ মোগল সম্ৰাটসকলে দীঘলীয়া সময় ৰাজত্ব কৰিছিল । পিছে ১৫ বছৰ কাল মোগলসকল সিংহাসনত নাছিল । সেই সময়ত, দিল্লীৰ চুলতান শ্বেৰচাহ চুৰীয়ে সম্ৰাট হুমায়ুনক ভাৰতৰপৰা খেদি পঠিয়াইছিল । এই বিজয়ৰ স্মৃতি হিচাপে চুলতানে এটা মুদ্ৰা জাৰি কৰিব খুজিছিল। ১৫৪২ চনত ১৭৮ গ্ৰাম ওজনৰ এটা মুদ্ৰা মৰোৱা হৈছিল । ইয়াৰে এটা মুদ্ৰা দেখি শ্বেৰচাহ চুৰীয়ে কৈছিল আনন্দত অভিভূত হৈ, "ৰুপাইয়া" । ইয়াৰ অৰ্থ আছিল সুন্দৰ, কিন্তু সেই নামেৰেই পিছলৈ মুদ্ৰাটো জনপ্ৰিয় হৈ উঠিল ।

কপি উঠা সৌধ

ইটালীত থকা পিচাৰ হেলনীয়া সৌধ আধুনিক বিশ্বৰ এটা আচৰিত বস্তু । ১৪৫৪ চনত আহমেদ শ্বাহে নিৰ্মাণ কৰা আহমেদাবাদৰ বিবিৰ মচজিদত থকা দুটা সৌধে গুজৰাটৰ এই মহানগৰীখনক এটা খ্যাতি প্ৰদান কৰিছে । আহমেদ শ্বাহৰ নামেৰেই মহানগৰীখনৰ নামকৰণ কৰা হৈছিল । সৌধ দুটা কপি উঠিব । হয়, প্ৰকাণ্ড অথচ অভাৱনীয় সৌন্দৰ্যৰ এই সৌধ দুটা কেনেকৈ কপি উঠে সেই কথা কোনেও নাজানে । অলপ হাউলি কোনোবাই সৌধ দুটা হেঁচি দিলেই কপি উঠিব । পিছে কথাখিনি অতীত কালতহে লিখা উচিত আছিল, কিয়নো ২০০১ চনৰ প্ৰলয়ংকাৰী ভূমিকম্পত সৌধ দুটা নষ্ট হয় । সৌভাগ্যক্ৰমে সৌধ দুটা বাগৰি নপৰিল আৰু ভাৰতৰ পুৰাতাত্ত্বিক জৰীপ বিভাগে এতিয়াও সৌধ দুটা মেৰামতি কৰাৰ চেষ্টা কৰিব পাৰে ।

সুখৰ ৰহস্য

ভোগদৈ নদীৰ পাৰৰ বৰিগাঁৱত ৰত্না নামৰ এগৰাকী আঢ্যৱন্ত মহিলা আছিল । তেওঁ নিজৰ মাক দেউতাকৰ একমাত্ৰ সন্তান আছিল । তেওঁলোকৰ মৃত্যুৰ পাছত গোটেইখিনি সম্পত্তি লাভ কৰে ৰত্নাই। পঞ্চাশ একৰ উৰ্বৰ ভূমি, বিশজনী খীৰতী গাই, এক একৰ ভূমি আগুৰি থকা এটা ডাঙৰ ঘৰ আৰু পঁচিশটা বনকৰা মানুহ ৰত্নাই লাভ কৰিলে। কোনো কথাতে ৰত্নাই স্বামীৰ পৰামৰ্শ নলৈছিল । আটাইবোৰ সমস্যা নিজেই মীমাংসা কৰিছিল । তেওঁ কাকো বিশ্বাস নকৰিছিল । সেয়েহে লাহে লাহে তেওঁক অশান্তি আৰু ভয়ে ঘেৰি ধৰিলে ।

এদিন তেওঁৰ স্বামী বসন্তই ৰত্নাক বুজাবলৈ লৈ ক'লে, "চোৱা ৰত্না, ইমান-খিনি সম্পত্তি, কিন্তু লাভ কি? সদায় তুমি অশান্তিত ভোগা। মন প্ৰশান্ত নহ'লে সম্পত্তি থাকিও নথকাৰ নিচিনা । এনেকুৱা অৱস্থাত সম্পত্তি তোমাৰ কামত নাহিব । তুমি সদায় চিন্তিত হৈ থাকা । এইটোও সম্ভৱ নহয় যে সদায় আমি কামত সফলতা পামেই, সদায় আমি বিজয়ী হ'মেই । কেতিয়াবা আমি হাৰি গ'লেওনো ক্ষতি ক'ত ? তাক আমি জীৱনৰ এটা বিশিষ্ট অভিজ্ঞতা বুলি ধৰি লৈ আগবাঢ়ি যাব লাগে । কেতিয়াও মানসিক শান্তি হেৰুৱাব নালাগে । ধনতকৈয়ো বেছি মূল্যৱান হ'ল মনৰ শান্তি ।"

ৰত্নাই বসন্তৰ কথাবোৰলৈ বিশেষ মন নিদিলে । সেই দিনা দুপৰীয়া আহাৰ খাবলৈ বহোতে সমুখৰ মেজত তিনি চাৰি প্ৰকাৰৰ ব্যঞ্জন সজাই থোৱা আছিল । ভাত আৰু আলুৰ তৰকাৰী মুখত দিছিলহে মাত্ৰ, সেইখিনি থুৱাই দি ৰত্নাই চিৎকাৰ কৰি উঠিল, "এই নিৰ্মলাই তৰকাৰী বনাবলৈ এই গেলা আলু কেইটাহে পালেনে ? কাম এটাও ঠিকে ঠাকে কৰিব নোৱাৰে, ইফালে মুখত ডাঙৰ ডাঙৰ কথা কি নুশুনিবা ?" এইবুলি কৈ ৰত্না উঠি গ'ল ।

বসন্তই ৰত্নাক শান্ত কৰিবলৈ চেষ্টা কৰি ক'লে, "তৰকাৰী দুই তিনিখন আছে



দেখোন । দাইলো আছে । তুমি ভালপোৱা কেৰালাৰ ভাজিও আছে । প্ৰথমতে খাই লোৱা । নিৰ্মলাক পিছতো সুধিব পাৰিবা।"

কিন্তু ৰত্নাই কথাবোৰলৈ কাণ নিদি হাত ধুই কোঠাৰপৰা ওলাই গ'ল । কিছু সময়ৰ পাছত বসন্তই ভিতৰলৈ গৈ ৰত্নাক বুজালে, "ৰত্না তুমি মন দি শুনা । ইয়াৰ পৰা চাৰি-পাঁচ মাইল দূৰৈত মদনপুৰত ধৰ্ম নামৰ এজন বয়োবৃদ্ধ লোক থাকে । তেওঁৰ বয়স এশৰো অধিক হৈছে । মানুহে কয় তেওঁ হেনো অশান্তি তথা দুৰাৰোগ্য ব্যাধিৰ চিকিৎসাৰ বাবে অব্যৰ্থ পৰিষ্কাৰ পথৰ পৰামৰ্শ দিয়ে । কইলৈকে তুমি তেওঁক লগ ধৰা ।

সৌভাগ্যক্ৰমে ৰত্নাই পতিৰ প্ৰস্তাৱটো মানি ল'লে । পিছদিনাই পতি-পত্নীয়ে ধৰ্মক লগ পাবলৈ এখন ঘোঁৰা গাড়ীত উঠি ল'লে। বৃদ্ধৰ বিশাল কোঠাটোত প্ৰবেশ কৰিয়েই ৰত্নাই তেওঁক প্ৰণাম কৰিলে আৰু নিজৰ পৰিচয় দি ক'লে, "মোৰ নাম ৰত্না । মোৰ অপাৰ সম্পত্তি । চাকৰ-নাকৰো অনেক আছে । তেওঁ মোতকৈ বেছি প্ৰসন্ন । মোকো তেনেকুৱা প্ৰসন্নতাই লাগে ।"

বৃদ্ধ ধৰ্মই কথাখিনি মন দি শুনিলে । ৰত্নাক হাঁহি হাঁহি তেওঁ ক'লে, "তোমাৰ ঘৰৰ ওচৰে পাজৰে বা আন ক'ৰবাত এনেকুৱা আৰু কোনোবা তিৰোতা আছে নেকি যি সদায় প্ৰসন্ন হৈ থাকে, তেওঁক লগত লৈ আহিবা । তেতিয়াই মই তোমাক আনন্দময় জীৱনৰ ৰহস্য জানিবলৈ দিম ।"

পতি-পত্নী দুয়ো ধৰ্মক প্ৰণাম কৰি ঘৰলৈ উভতি আহিল । ৰাস্তাত তেওঁলোকে দেখিলে নিজৰ মাজতে হাঁহি ধেমালি কৰি দুই-তিনি গৰাকী মহিলা আহি আছে । ৰত্নাই তেওঁ-লোকক ৰ'বলৈ কৈ সুধিলে, "তোমালো-কৰনো পেচা কি ? তোমালোকে বাৰু সদায়ে এনেকৈ আনন্দিত হৈ থাকা নেকি ?"

তাৰে এগৰাকী মহিলাই ক'লে, "এনেকুৱা কোনো কথা নাই । আজি আমি আন দিনাৰ দৰেই হাটলৈ শাক-পাচলি বেচিবলৈ গৈছিলো । সেইখিনি সোনকালেই বিক্ৰী হ'ল। এই কথাত আমি বৰ আনন্দিত। বৰষুণ আহিলে আমি ঘৰৰপৰা ওলাব নোৱাৰো । সেই দিনা আমি লঘোনে-ভোকে থাকিব লাগে । এনে অৱস্থাত আমিনো কেনেকৈ আনন্দেৰে থাকিব পাৰো ?"

ৰত্না নিৰাশ হ'ল । তেওঁলোকৰ ঘোঁৰা গাড়ীখন এটা ঠেক ৰাস্তাইদি আগবাঢ়িল । এঠাইত তেওঁলোকে দেখিলে এজাক মানুহে 'মাতা গায়ত্ৰী' বুলি এটা প্ৰশস্তি গীত গাই

আছিল। ৰত্নাই আগবাঢ়ি আহি মানুহখিনিক সুধিলে, "এই মাতা গায়ত্ৰীনো কোন ?"

এজন ভক্তই ক'লে, "গায়ত্ৰী মাতা সৌ আমৰ বাগিচাখনৰ এটা কুটীৰত বাস কৰে। তেওঁ সদায় হাঁহি মাতি থাকে আৰু ভগৱানৰ কাহিনী ভক্তসকলক শুনাই থাকে।"

ৰত্না আৰু বসন্ত সন্ন্যাসিনীৰ ওচৰলৈ গ'ল। ৰত্নাই তেওঁক প্ৰণাম কৰি সুধিলে, "মাতা, আপুনি হেনো সদাসুখী। আপুনি নিশ্চয় সুখ-দুখৰ উৰ্দ্ধলৈ উঠিব পাৰিছে। ৰাগ-বিৰাগে আপোনাক নিশ্চয় কেতিয়াও আমনি নকৰে। মই বাৰু ঠিকেই কৈছোনে?"

সন্ন্যাসিনীয়ে ক'লে, "সন্ন্যাসিনী হোৱাৰ বাবে মই পাৰিবাৰিক জঞ্জালৰপৰা মুক্ত। নহলে কোনে জানে, মোৰো কি দশা হ'ল হেঁতেন। তথাপি মই নিজকে সদাসুখী বুলি ক'ব নোখোজো।"

তেওঁৰ এই উত্তৰত পতি-পত্নী দুয়ো বৰ আচৰিত হ'ল। সন্ন্যাসিনীয়ে তেওঁলোকৰ এই অৱস্থা বুজি পাই ক'লে, "সন্ন্যাস ধৰ্ম গ্ৰহণ কৰাৰ পিছত মই নিষ্ঠাৰে যোগ সাধনাত লাগিলো। তেতিয়াই মই গম পালো যে পাঁচ বছৰৰ ভিতৰতে মোৰ মৃত্যু অনিবাৰ্য। মৃত্যুৰ কথা ভাবিবলৈ মোৰ ভয় লগা হৈছিল। ৰাতি মই শুব নোৱাৰিছিলো।" কথাখিনি কওঁতে তেওঁৰ চকুৰ পানী ওলাই আহিছিল।

পতি-পত্নীয়ে আৰু কোনো কথা নুসুধি তাৰপৰা ওলাই আহিল। গাঁৱখনৰ মাজেদি পাৰ হৈ যাঁওতে তেওঁলোকে দেখিলে এটা মন্দিৰৰ মুখত ফুল বেচা এগৰাকী তিৰোতা গুণগুণাই বহি আছে আৰু মানুহক আদৰ সম্ভাষণ জনাই কৈ আছে, "আহক, আহক,



সতেজ ফুল। এই ফুলৰ কি যে সুবাস! লগতে সস্তাও।" মাজে মাজে তেওঁ হাঁহি আছিল।

গাড়ীৰপৰা নামি ৰত্নাই তেওঁলৈ একেথৰে চাই থাকিল। ফুলৰ মালা এডাল হাতত তুলি তিৰোতাগৰাকীলৈ পইচা আগ বঢ়াই ক'লে, "তুমি এটা সৰু ব্যৱসায় কৰি আছা। কিন্তু তোমাকতো বেচ সুখী যেন লাগিছে। তুমি বাৰু সদায়ে এনেকৈ সুখীনে ?"

"হয়, মই সদাসুখী। মোৰনো কিহৰ অভাৱ দুখ কৰিবলৈ ?" তিৰোতা গৰাকীয়ে হাঁহি হাঁহি ক'লে।

এই উত্তৰত সন্তুষ্ট হৈ ৰত্নাই পতি বসন্তৰ ফালে চালে। বসন্তই তিৰোতা গৰাকীক ক'লে, "চোৱা, তোমাৰ লগত এটা জৰুৰী কথা আছে। তুমি নিশ্চয় বৃদ্ধ ধৰ্মৰ নাম শুনিছা। আমাৰ লগতে তুমি এবাৰ তেখেতক লগ কৰিবলৈ যাবা নে ? আমি গাড়ীৰে

তোমাক ইয়াত নমাই থৈ যামহি।”

তিৰোতা গৰাকীয়ে মানি ল’লে, কিয়নো সেই দিনা বেচিবলৈ থোৱা ফুল প্ৰায় শেষ হৈ আহিছিল । কিছু সময়ৰ পাছত তিনিও বৃদ্ধ ধৰ্মৰ ওচৰত উপস্থিত হ’লহি ।

বৃদ্ধ ধৰ্মই তিৰোতা গৰাকীক সুধিলে, “কিহে তুমি সদাসুখী নেকি ?” তিৰোতা গৰাকীয়ে ক’লে, “হয়” । “তুমিতো ফুলহে বেচা। এইটোতো তেনেই ক্ষুদ্ৰ ব্যৱসায়। এই কামত তুমি কেনেকৈ সদাসুখী হৈ থাকিব পাৰা ?” ধৰ্মই সুধিলে ।

তিৰোতা গৰাকীয়ে তাৰ উত্তৰত ক’লে, “ব্যৱসায় সৰু ঠিকেই । কিন্তু সেইবুলিয়েই মোৰ সুখত ই কেতিয়াও বাধা দিয়া নাই । আমাৰ এক একৰ উৰ্বৰ মাটি আছে । মই মোৰ পতি আৰু ল’ৰা ছোৱালী কেইটাৰ সৈতে এটা জুপুৰীত থাকো । মোৰ পতিয়ে খেতিৰ কাম কৰে আৰু দুই চাৰিটকা উপাৰ্জন কৰে । খৰচ কৰোতে মই বৰ সাৱধান হৈ চলো । নিজৰ পতি আৰু লৰা ছোৱালী কেইটাৰ ভালকৈ যত্ন লওঁ । বৰ বেছি প্ৰয়োজন হ’লে আনকো সহায় কৰো । বহুত টকা উপাৰ্জন কৰা বা ডাঙৰ কিবা এটা কৰাৰ সপোন কেতিয়াও নেদেখো । যি আছে, তাতেই সন্তুষ্ট থাকো ।”

বৃদ্ধ ধৰ্মই মিচিকিয়াই হাঁহি ক’লে, “এই তিৰোতা গৰাকীৰ না ধন আছে, না গহনা আছে । কিন্তু তোমাৰ ওচৰততো অপাৰ সম্পত্তি পৰি আছে আৰু আছে ঢেৰ গহনা গাঁঠৰি । কিন্তু তোমাৰ সুখৰ অভাৱ । জানানে তুমি ইয়াৰ কাৰণ ? কিয়নো তুমি কাকো বিশ্বাস নকৰা । গোটেইবোৰ কাম নিজেই কৰিব খোজা আৰু উপাৰ্জন কৰিব খোজা । সেয়েহে তুমি নিজৰ শক্তিয়ে পৰাতকৈ বেছি কাম কৰিব খোজা । ধৰি লৈছো মানুহক সদায় সম্পদ লাগে । কিন্তু সকলো সম্পত্তিতকৈ ডাঙৰ সম্পদ হৈছে মনৰ শান্তি । আমাৰ ধ্যান ধাৰণাই আমাৰ সুখ দুখ নিৰ্দ্ধাৰণ কৰে । নিজৰ সদাসন্তুষ্টিৰ বাবে এই ফুল বেচা তিৰোতা গৰাকীয়ে কোৱা প্ৰতিটো কথা সদায়ে মনত ৰাখিবা । দেখিবা তোমাৰ সমস্যা নিজে নিজে সমাধান হৈছে ।”

বল্লাৰ মন এতিয়া শান্ত হ’ল । পতি-পত্নীয়ে বৃদ্ধ ধৰ্মক সবিনয়ে প্ৰণাম কৰিলে আৰু ফুলবেচা তিৰোতা গৰাকীক লৈ তাৰপৰা ওলাই আহিল ।

আহিল পাণ, বাজিল ঘন্টা

বিনোদ কুমাৰ তিৱাৰীৰ মুম্বাইত এখন পাণ দোকান আছে । নাম ফলকত লিখা আছে "ঘন্টাৱালা পাণ মন্দিৰ ।" ঘন্টাৱালা মানে ঘন্টা বজোৱা মানুহ । কিন্তু আমাৰ বন্ধুবৰৰ কেৱল এটাই ঘন্টা নহয়, ১৮ খন দেশৰ ৩৯৩টা ঘন্টা আছে । গোটেইবোৰ ঘন্টা তেওঁৰ দোকানত সজাই থোৱা আছে । কেৱল সেয়াই নহয়, যেতিয়া তেওঁ কোনো গ্ৰাহকক পাণ বান্ধি দিয়ে, পইচা দিয়াৰ পিছত তিৱাৰীয়ে ঘন্টাটো বজাই দিয়ে । তেওঁ প্ৰকৃততে তেওঁৰ ককাদেউতাকে আৰম্ভ কৰি যোৱা এটা পৰম্পৰা ৰক্ষা কৰি আহিছে । তেওঁৰ ককাকে ১৯৩৩ চনতে পুনাত এখন পাণ দোকান খুলিছিল । তিৱাৰীয়ে দ্বিতীয় বাৰ ঘন্টাটো বজায় গ্ৰাহকক বিদায় দিবৰ সময়ত । তেওঁ সংগ্ৰহ কৰা ঘন্টাবোৰৰ ভিতৰত আছে ফ্ৰান্সৰ এটা চিচাৰ ঘন্টা, তিব্বতৰ এটা কাঠৰ ঘন্টা আৰু ভাৰতৰ এটা ২০ কে.জি. ওজনৰ পিতলৰ ঘন্টা । তেওঁৰ এই ঘন্টাবোৰৰ বাবেই গিণীজ বুক অফ ৰেকৰ্ডত তিৱাৰীৰ নামে ঠাই পাইছে ।

কনিষ্ঠতম ব্লেক বেল্ট্

পুনাৰ ব্ৰেন্ডন পল ফাৰ্ণাণ্ডেজৰ বয়স মাত্ৰ বাৰ বছৰ । তেও দক্ষিণ কোৰিয়াৰ চিউলৰ টাইকোৱাণ্ডো একাডেমীৰপৰা টাইকোৱাণ্ডোত চতুৰ্থ পুম ব্লেক আৰ্জন কৰা আটাইতকৈ কম বয়সীয়া প্ৰতিযোগী । প্ৰায় ৪০০ প্ৰতিযোগীৰ ভিতৰত তেৱেঁই একমাত্ৰ ভাৰতীয় । বেছিভাগ প্ৰতিযোগীয়েই আছিল কোৰিয়াৰ । যোৱা ১৫ নৱেম্বৰৰ পৰা ২ ডিচেম্বৰৰ ভিতৰত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত যোগ দিবলৈ তেওঁ যেতিয়া গৈছিল চিউলৰ হিমচেচা শীত এই ল'ৰাটিৰ বাবে নতুন অভিজ্ঞতা আছিল । ফলাফল সমূহ আনুষ্ঠানিকভাৱে এপ্ৰিলতহে ঘোষণা কৰা হয় । ব্ৰেন্ডনে এবছৰ বয়সৰ পৰাই টাইকোৱাণ্ডোৰ প্ৰশিক্ষণ আৰম্ভ কৰিছিল ।



প্ৰচীন কালত উৰিষ্যা উৎকল নামেৰে জনাজাত আছিল। তাৰো আগতে ই কলিঙ্গ নামেৰে বিখ্যাত আছিল। সেই সাম্ৰাজ্যত ভালেকেইজন পৰাক্ৰমী ৰজাই ৰাজত্ব কৰিছিল।

প্ৰায় এহেজাৰ বছৰৰো আগতে এই ৰাজ্যৰ লোকসকলে ইণ্ডোনেচীয়াৰ দ্বীপবোৰ আৰু মালয়ৰ লগত কেৱল বাণিজ্যই কৰা নাছিল, সেই অঞ্চলত নিজৰ শাসনো চলাইছিল। সুমাত্ৰাক ৰাজধানী হিচাপে লৈ সামাজ্য স্থাপন কৰা শৈলেন্দ্ৰ সকল মূলতঃ উৰিষ্যাৰে আছিল।

বৃটিছৰ শাসন কালত বহুবছৰ ধৰি উৰিষ্যা বিহাৰৰ সৈতে সাঙোৰ খাই আছিল। ১৯৩৬ চনত ই এখন সুকীয়া ৰাজ্য হয়। বৰ্তমান ইয়াৰ জনসংখ্যা প্ৰায় চাৰি কোটি আৰু ইয়াৰ মাটিকালি ১,৫৫,৭০৭ কিলোমিটাৰ। ৰাজ্যখনৰ উত্তৰে আছে বিহাৰ। পশ্চিমবংগই ইয়াৰ উত্তৰ পূব সীমান্ত আবৰি আছে। আৰু ইয়াৰ দক্ষিণ-পশ্চিম দিশত আছে অন্ধ্ৰ প্ৰদেশ। পশ্চিমে মধ্য প্ৰদেশ আৰু পূৰ্বদিশ টোৱাই আছে বঙ্গোপসাগৰে।

উৰিষ্যাৰ ৰাজধানী ভুবনেশ্বৰ বৰ পুৰণি চহৰ, দেশৰ বিখ্যাত মঠ-মন্দিৰবোৰ ভিতৰত কেইটামান আঁছে এই ভূবনেশ্বৰতেই।

পৰাক্ৰমী ৰজা আৰু কণমানি প্ৰানীটো

কলিঙ্গৰ এখনি সৰু ৰাজ্যত ৰাজত্ব কৰা ডেকো ৰজাজনে নিজৰ প্ৰশংসা শুনি বৰ ভাল পাইছিল। নকলেও হ'ব নে মিঠা মিঠা কথাৰে ৰজাক ভালৰি লগোৱা মানুহৰ মুঠেই অভাৱ নাছিল।

এদিন, ৰজা ৰাজসভাত গৈ উপস্থিত হোৱাৰ লগে লগে এজন কবিয়ে ৰজাৰ গুণৰাজি বখানি এটা কবিতা গাই শুনালে। কবিতাটিৰ শেষৰ স্তৱকটোত কোৱা হৈছিল যে পৃথিৱীত এনে কোনো নাই যি ৰজাৰ সমুখত নিজৰ কিবা গুণ লৈ গৰ্ব কৰিব পাৰে।



কেনেকৈনো পাৰিব ? এনে কোনো মানুহ নাই যি ৰজাতকৈ সুদৰ্শন, এনে কোনো মানুহ নাই যি ৰজাতকৈ দানী আৰু এনে কোনো মানুহ নাই যি ৰজাতকৈ অধিক ক্ষমতাশালী বা সম্পত্তিশালী ।

যদিও এইখিনি কথা অতিৰঞ্জিত আছিল, সভাসদ সকলে হাত চাপৰিৰে কবিক সমৰ্থন জনালে । কিছুমানে চিঞৰিলে, "বাঃ বাঃ কেনে সত্য. কেনে সুন্দৰ !"

কিন্তু চিঞৰ-বাখৰ আৰু হাত চাপৰিৰ শব্দ বন্ধ হোৱাৰ লগে লগে এক বিৰাট অট্টহাস্য শুনা গ'ল । তেওঁ আন কোনো নাছিল, ৰজাৰেই বৃদ্ধ মন্ত্ৰী ।

"কথাটো কি ?" কেবাজনেও তেওঁক সুধিলে ।

"বিশেষ একো নহয়, কিন্তু মই নিজৰ হাঁহি ৰাখিব নোৱাৰিলো এইকাৰণেই যে এটা সৰু কথা লৈয়ো যিকোনো প্ৰাণীয়ে গৰ্ব কৰিব পাৰে । তাত ৰজাইও বাধা দিব নোৱাৰে। এটা বান্দৰে তাৰ নেজডাল লৈ গৰ্ব কৰিব পাৰে, এটা শগুণে তাৰ ঠোঁটটো লৈ গৰ্ব কৰিব পাৰে । সেইটোনো কোনে কেনেকৈ নোহোৱা কৰিব পাৰে ।" মন্ত্ৰীয়ে কৈ গ'ল ।

ৰজা বা সভাসদ সকল কোনেও তেওঁৰ কথাত ভুল ধৰিব নোৱাৰিলে । কিন্তু ৰজাই নিশ্চয়কৈ মন্ত্ৰীৰ কথাবোৰ হজম কৰিব নোৱাৰিলে ।

এদিন ৰজাই বাগিছাত খোজকাঢ়ি ফুৰোতে হঠাতে এটা কেৰ্কেটুৱা ৰজাৰ সমুখত উপস্থিত হ'ল । সি ক'ৰবাত এটা সৰু মুদ্ৰা পালে । আগঠেং কেইটাৰে সেইটো ধৰি লৈ সি ক'লে

মোৰ আছে অত গাল

ৰজাহে কঙাল,
কেনে বেজেকুৱা তেওঁ
হায় ফুটা কপাল ।

ৰজাৰ খং উঠিল । তেওঁ শিলগুটি এটা বুটলি ল'লে আৰু সেইটো কেৰ্কেটুৱাটোৰ গালৈ দলিমাৰি দিলে । অকণমানি প্ৰাণীটো কথমপি সাৰিল কিন্তু পলাই যাওঁতে সি মুদ্ৰাটো এৰি থৈ গ'ল । ৰজাই সেইটো তুলি ল'লে আৰু হাঁহিবলৈ ধৰিলে ।

সেই সময়ত কলিঙ্গৰ সাধকসকল সুবৰ্ণ দ্বীপলৈ দীৰ্ঘদিনীয়া নৌযাত্ৰাত গৈছিল । ৰজাই সুমাত্ৰালৈ বুলি যাবলৈ ওলোৱা এখন জাহাজক বিদায় জনাবলৈ মহানদীৰ পাৰলৈ গ'ল। ৰজাই জাহাজখনৰ গৰাকী দয়ালু সদাগৰজনৰ হাতত সুমাত্ৰাৰ ৰজালৈ বুলি এটি উপহাৰ যাচিলে । তেওঁলোক দুজনে কথা পাতি থাকোতে হঠাতে সমুখত

কলা আৰু শিল্প

ভাৰতৰ শাস্ত্ৰীয় নৃত্য সমূহৰ ভিতৰত অন্যতম ওডিছি নৃত্যৰ উৰিষ্যাৰ মন্দিৰ সমূহতেই সৃষ্টি হৈছিল । অনুপম হস্তশিল্পৰ বাবে উৰিষ্যা বিখ্যাত। এইবিলাকৰ ভিতৰত গুনাৰ কাম, আটাইতকৈ জনপ্ৰিয় । চিগাৰ, অলঙ্কাৰ বাকচ, বাচকেট, ধুনীয়া, মিহি ডিজাইনেৰে কৰা ট্ৰে ইত্যাদি ৰূপেৰে তৈয়াৰ কৰা হয় ।

পাটাচিত্ৰ হৈলে এবিধ লোক চিত্ৰ । ই উৰিষ্যাৰ এক প্ৰচিন আৰু অনন্য শিল্প । এক বিশেষভাৱে তৈয়াৰী কেনভাচৰ ওপৰত জীৱ-জন্তু, ফুল আৰু ভগৱানৰ চিত্ৰ অঙ্কিত কৰা হয় ।

'পিপলি'ত কৰা এপ্লিক উৰিষ্যাৰ হস্তশিল্পৰ অন্য এক বিখ্যাত আকৰ্ষণ । ফুল, চৰাই আৰু জীৱ-জন্তুৰ আকৃতিত ৰংবিৰঙৰ ডিজাইন বনাই সেইবোৰ কলাসুলভ ভাৱে কাপোৰত চিলাই কৰি দিয়া হয় ।

কেৰ্কেটুৱাটো উপস্থিত হ'ল আৰু ব্যঙ্গৰ সুৰত গাবলৈ ধৰিলে,

মোৰ সম্পত্তি কাঢ়ি নি,
ৰজা হৈছে চোৰা মহাদানী !

ৰজাৰ অতিপাত খং উঠিল । কিন্তু তাত সমবেত হোৱা ইমানবোৰ মানুহৰ আগত তেওঁ নিজৰ খং নেদেখুৱালে । দাঁত-মুখ কামুৰি তেওঁ মনে মনে থাকিল ।

আবেলি সময়ত ৰজাই যেতিয়া বিদেশৰ পৰা অহা এজন দূতৰ লগত কথা পাতি আছিল, কেৰ্কেটুৱাটোৱে পুনৰ সেই গীত গালে। ৰজাৰ মনটো বৰ বেয়া লাগিল । ৰাতি তেওঁ চকুৰ টিপ এটাও মাৰিব নোৱা-ৰিলে ।

পিছদিনা পুৱা তেওঁ মন্ত্ৰীক ক'লে, "আপুনি কিমান জ্ঞানী! এটা কেৰ্কেটুৱাকে মই মোৰ সমুখত অহঙ্কাৰ কৰাত বাধা দিব নোৱাৰিলোঁ। তেন্তে মানুহৰ কথা আৰু কি ক'ম ?"

"আপনি ঠিকেই কৈছে মহাৰাজ, প্ৰত্যেকেই নিজৰ নিজৰ অহমিকা মতে ভাৱে আৰু কাম কৰে । কেইজনমানহে প্ৰকৃততে ভাগ্যৱান যাৰ এই কথা উপলব্ধি কৰিবলৈ জ্ঞান আছে । আৰু সেইসকলেই নিজৰ অহংভাৱৰ বলি নোহোৱাকৈ থাকে ।" মন্ত্ৰীয়ে ক'লে ।

"কিন্তু এতিয়া মই কি কৰা উচিত ? এইটো বৰ লাজ লগা কথা হৈছে । কেৰ্কেটুৱাটোৱে সকলোৰে আগত মোক চোৰ বুলি কৈ ফুৰিব।" চিন্তাক্লিষ্টভাৱে ৰজাই ক'লে ।

"আপুনি যিহেতু মোক সুধিছে, মই আপোনাক এইটোকে উপদেশ দিওঁ যে আপুনি কেৰ্কেটুৱাটোক তাৰ মুদ্ৰাটো ঘূৰাই দিয়ক।" মন্ত্ৰীয়ে ক'লে ।

ইয়াৰ পিছৰবাৰ যেতিয়া কেৰ্কেটুৱাটো ৰজাৰ আগত উপস্থিত হ'ল, ৰজাই মুদ্ৰাটো তালৈ দলিয়াই দিলে আৰু তাৰপৰা গুচি গ'ল। কেৰ্কেটুৱাটোৱে সেইটো বুটলি ল'লে আৰু বগাই গুচি গ'ল।

ৰজাৰ সকাহ পোৱা যেন অনুভৱ হ'ল। কিন্তু ঘটনাটো তাতে অন্ত নপৰিল। পিছদিনাখন কেৰ্কেটুৱাটোৱে ৰাজসভাৰ খালী আসন এখনত বহি পৰিল আৰু চিঞৰিবলৈ ধৰিলে

ৰজা গ'ল ভয় খাই,
মোৰ বস্ত দিলে ওভতাই!

এইদৰে কৈয়েই কোনোবাই কিবা কৰিবলৈ পোৱাৰ আগতে জপিয়াই জপিয়াই কেৰ্কেটুৱাটো বাগিছালৈ সোমাই গ'ল।

ৰজা বিমৰ্ষ হৈ পৰিল। তেওঁ ভালকৈ গম পালে যে কেৰ্কেটুৱাটোৱে সেই আপত্তিজনক শব্দকেইটা বাৰে বাৰে গাই থাকিব। সি তেওঁক শান্তিত থাকিবলৈ নিদিব।

সেইদিনা ৰাজসভা শেষ হোৱাৰ পিচত ৰজাক অকলে পাই মন্ত্ৰীয়ে ক'লে, "মহাৰাজ, আপুনি এই প্ৰাণীটোৰ কথা ইমানকৈ নাভাবিব। তাক জনাব যে আপুনি তাক সঁচাকৈয়ে ভয় কৰে। আৰু তাৰ পিছত চাব।"

পিছদিনা ৰাজসভাত কেৰ্কেটুৱাটো আবিৰ্ভাৱ হোৱাৰ লগে লগে ৰজাই ক'লে,

মহাপ্ৰতাপী কেৰ্কেটুৱা
তুমি অকণ দয়া দেখুওৱা
এই ৰজাৰ বৰ বিপত্তি
তোমাৰ আছে প্ৰতিপত্তি

কেৰ্কেটুৱাটোৱে এই কথা আশা কৰা নাছিল। এক মুহূৰ্ত্তৰ বাবে ই মনে মনে থাকিল। তাৰ পাছত আনন্দত নাচিবলৈ ধৰিলে আৰু বাগিছালৈ ততালিকে গুচি গ'ল। তাৰ পিছত আৰু কেতিয়াও সি ৰজাৰ আগত দেখা নিদিয়া হ'ল।

"মহাৰাজ, মনুষ্য মাত্ৰেও এনেকুৱাই। সিহঁতে পৃথিৱীৰ সকলো কথা সিহঁতৰ সীমিত জ্ঞান আৰু ক্ষুদ্ৰ বোধশক্তিৰ আধাৰত ব্যাখ্যা কৰে। সিহঁতক যদি আমি ধৈৰ্য ধৰি সহ্য কৰি যাওঁ আমি বহুতো দুঃশ্চিন্তা আৰু যন্ত্ৰণাৰ পৰা মুক্তি পাম।" মন্ত্ৰীয়ে ৰজাক ক'লে।

"হয়। সঁচাকৈয়ে, পৃথিৱীৰ কোনেও মোৰ আগত কোনো কথাকে লৈ গৰ্ব কৰিব নোৱাৰে বুলি ভবাটো যে মোৰ কিমান মূৰ্খামি আছিল! মই বিনয়ী হ'ব লাগিব।" এইদৰে কৈ ৰজাই তেওঁৰ বৃদ্ধ জ্ঞানী মন্ত্ৰীক ধন্যবাদ জনালে।

(উৰিষ্যাৰ মৌখিক ভাৱে চলি অহা লোক কাহিনীৰ পৰা, মনোজ দাসৰ এক ৰচনাৰ আলম লৈ।)

হাতৰটো এৰি বাটৰটো ধৰা

ভুৱনগিৰি ৰাজ্যৰ ৰজাৰ নাম আছিল ৰবিবৰ্মা। তেওঁৰ শাসনকালত সেই ৰাজ্যত ৰংগনাথ নামৰ এজন নামজ্বলা চিকিৎসক আছিল । চিত্ৰকলাৰ ওপৰতো তেওঁৰ ভাল জ্ঞান আছিল । যিকোনো মানুহৰ চেহেৰা এবাৰ দেখিলেই ৰংগনাথে মানুহজনৰ হুবহু চিত্ৰ অংকন কৰিব পাৰিছিল।

এদিন মাজৰাতি দুজন ব্যক্তিয়ে আহি তেওঁৰ দুৱাৰত টুকুৰিয়ালেহি । ৰংগনাথে দুৱাৰ খুলি সুধিলে, "তোমালোক কোন ?"

তাৰে এজনে ক'লে, "আমি ওচৰৰে এখন গাঁৱৰ । বেহা-বেপাৰৰ কথা লৈ ইয়ালৈ আহিছিলো, ডকাইতে আমাৰ সৰ্বস্ব লুটি নিলে। আন্ধাৰত ভালকৈ চকুৰে মণিব নোৱৰাৰ বাবে বাটতে এটা কুকুৰৰ নেজত তেওঁৰ ভৰি পৰিল । তেতিয়া কুকুৰটোৱে তেওঁৰ ভৰিতে কামুৰিলে । আমি গম পালো যে আপুনি এজন ভাল চিকিৎসক । অনুগ্ৰহ কৰি এঁওৰ ঘা টুকুৰাত দৰব পাতিলগাই পটী বান্ধি দিয়ক ।"

ৰংগনাথে দেখিলে সচাঁকৈয়ে আনজন মানুহৰ গোৰোহাৰ সামান্য ওপৰত কুকুৰে কামোৰাৰ চিন আছে । ঘা টুকুৰাৰ ওপৰত দৰব-পাতি লগাই তেঁও পটী বান্ধি দিলে । কৃতজ্ঞতা জ্ঞাপন কৰি দুয়ো ব্যক্তিয়ে ৰংগনাথৰপৰা বিদায় মাগিলে ।

এই গোটেইখিনি কাম কৰি থাকোতে ৰংগনাথে দুয়োজন মানুহৰ চেহেৰা ভালকৈ মন কৰি আছিল । তেওঁ লক্ষ্য কৰিছিল দুয়োজন মানুহৰ মুখ মণ্ডলত ভয়ৰ চিন আৰু চেহেৰাত আতংকৰ ভাব। ৰংগনাথৰ সন্দেহ হ'ল, এঁওলোক ডকাইত নহয়তো ? সেয়েহে দুয়োজন মানুহ ওলাই যোৱাৰ পাছত তেওঁ তৎক্ষণাৎ দুয়োজনৰে একোখনকৈ চিত্ৰ আঁকিলে ।

পিছদিনা ৰজাৰ সৈনিকে কৰা ঘোষণাৰ-পৰা ৰংগনাথে জানিব পাৰিলে যে যোৱা নিশা ৰজা ৰবিবাৰ্মাক হত্যাৰ প্ৰচেষ্টা চলোৱা হৈছিল। মাজ নিশা দুজন ব্যক্তিয়ে হাতত চুৰী লৈ ৰজাৰ শয়নকক্ষত প্ৰৱেশ কৰিছিল, কিন্তু

পৰশুৰাম গুপ্তা

সৈনিকৰ চিঞৰ-বাখৰ শুনি ভয়তে দুয়ো পলাই গ'ল । সৈনিকে পাছে পাছে খেদি গৈছিল যদিও দুয়োজন মানুহ আন্ধাৰৰ সুযোগ লৈ পলাই গ'ল ।

ৰংগনাথৰ আশংকা সঁচা প্ৰমাণিত হ'ল । দুয়োজন মানুহৰ চিত্ৰ লৈ ৰংগনাথ নগৰাধিপতিৰ ওচৰলৈ গ'ল আৰু আগৰাতি ঘটা সমস্ত ঘটনা বিবৰি ক'লে । সেই দুখন চিত্ৰৰ আধাৰতেই নগৰাধিপতিয়ে দুই অপৰাধীক কৰায়ত্ব কৰিলে ।

ৰজাই দুই অপৰাধীক ফাঁচী কাঠত ওলমোৱাৰ নিৰ্দেশ দিলে । ৰংগনাথক ৰজাই আদৰ-সন্মান যাচিলে আৰু অনেক মূল্যৱান উপহাৰ প্ৰদান কৰিলে, কিয়নো ৰংগনাথে আঁকা চিত্ৰৰ আধাৰতেই দুয়োজন অপৰাধীকে ধৰিব পৰা গ'ল ।

এই ঘটনাৰ পাছৰেপৰা ৰংগনাথৰ নাম চিত্ৰকাৰ হিচাপে সেই ৰাজ্যত বিখ্যাত হৈ উঠিল । ইয়াৰ ফলত চিত্ৰকলাৰ প্ৰতি তেওঁৰ ধাউতি বাঢ়ি আহিল । চিত্ৰকলা চৰ্চাতেই তেওঁ অধিক সময় ব্যয় কৰিবলৈ ধৰিলে । চিকিৎসা বিদ্যাৰ প্ৰতি তেওঁৰ অভিৰুচি দিনক দিনে কমি আহিল । কেতিয়াবা বেয়া অৱস্থালৈ যোৱা ৰোগীৰ প্ৰতিও তেওঁ যথোচিত ন্যায় দেখুৱাব পৰা নাছিল । লাহে লাহে মানুহৰ তেওঁৰ ওপৰত বিশ্বাস কমি আহিল । চিকিৎসাৰ বাবে তেওঁৰ ওচৰলৈ অহা মানুহৰ সংখ্যা দিনক দিনে কমি আহিল ।

কেইদিনমানৰ পিছত অনাবৃষ্টিৰ বাবে চাৰিওফালে আকালে দেখা দিলে । ভূৱনগিৰি ৰাজ্যৰ মাজেদি এখন নদী বৈ যোৱাৰ বাবে, সেই ৰাজ্যৰ লোকসকল অৱশ্যে এনে ভীষণ আকালৰ সমুখীন হ'বলগীয়া নহ'ল । প্ৰতিবেশী ৰাজ্যসমূহৰপৰা মানুহ আহি ভূৱনগিৰিত থাকিবলৈ ল'লেহি।

এই ভগনীয়া লোকসকলৰ মাজত আছিল বিশ্বকেতু নামৰ এজন আদ বয়সীয়া চিকিৎসক । ইয়াৰ আগেয়ে তেওঁ এবাৰ ৰংগনাথক লগ ধৰিবলৈ আহিছিল । ৰংগনাথ যে এজন ভাল চিকিৎসক সেই কথা বিশ্বকেতুৱে জানিছিল । মানুহৰ মুখত তেওঁ গম পালে যে এতিয়া ৰংগনাথক চিত্ৰকলাৰ ভূতে পাইছে আৰু যেতিয়াই তেতিয়াই তেওঁ কেৱল এই কামতে লাগি থাকে । তেওঁৰ ওচৰলৈ মানুহ নহা হৈছে।

বিশ্বকেতুৱে নগৰৰ বাহিৰত এটা ডাঙৰ ঘৰ ভাড়ালৈ লৈ নিজৰ চিকিৎসা বৃত্তিত মনপুতি লাগিবলৈ ধৰিলে । ৰংগনাথৰ প্ৰতি



অতিষ্ঠ মানুহখিনিয়ে এতিয়া চিকিৎসা বিচাৰি তেওঁৰ ওচৰলৈ অহা কৰিলে ।

লাহে লাহে ৰংগনাথে যিখিনি পইচা আৰ্জন কৰিছিল, সেইখিনি খৰচ হৈ শেষ হ'ল। দিন পাৰ কৰাই তেওঁৰ পক্ষে কষ্টকৰ হৈ উঠিল । এতিয়া তেওঁনো কি কৰে সেই চিন্তাত তেওঁ পাৰ নোপোৰা হৈছিল । এই বিষয়ে পৰামৰ্শ ল'বলৈ তেওঁ এদিন নিজৰ মোমায়েকক লগ ধৰিবলৈ ওলাল । ওচৰৰে এখন গাঁৱত মোমায়েকৰ ঘৰ আছিল ।

ৰংগনাথে গাঁৱৰ সীমাত আহি পোৱাৰ পিছতে দেখিলে কাঠৰ পুৰণি এটা বিশাল ঘৰ। তেওঁ মানুহৰ মুখত বিশ্বকেতুৰ বিষয়ে শুনিছিল । সেয়েহে ঘৰটো যে বিশ্বকেতুৰেই সেই কথা ধৰিবলৈ তেওঁৰ সৰহ সময় নালাগিল । সেই সময়ত বিশ্বকেতুৱে ঘৰটোৰ আগফালে থকা বাগিচাত বাঁহী বজাই আছিল।

ৰংগনাথ সেইফালে আহি থকা দেখা পাই বিশ্বকেতু উঠি থিয় হ'ল আৰু আচৰিত হৈ ক'লে, "আপুনি, আৰু ইয়াত ।" ৰংগনাথক তেওঁ বিনয়েৰে সম্ভাষণ জনালে আৰু ভিতৰলৈ নি বহিবলৈ ক'লে । তেওঁ পুনৰ ক'লে, "মহাশয়, মই আপোনাক ভালকৈ জানো । সম্ভৱ আপুনিহে মোক পাহৰিছে । মোৰ নাম বিশ্বকেতু । আমাৰ গাঁৱখন আকালপীড়িত হৈছে । সেয়েহে ইয়াত আহি বসবাস কৰিবলৈ লৈছো ।"

ৰংগনাথে তেওঁক দিয়া আদৰ-সম্মানত সন্তুষ্ট হৈ ক'লে, "আপুনি দেখিছো বৰ সুন্দৰ বাঁহী বজায় ।"

বিশ্বকেতুৱে মিচিকিয়াই হাঁহি ক'লে, "বাল্যকালৰে পৰা মই ইয়াৰ চৰ্চা কৰি

আহিছো। কিন্তু পেচাত মই চিকিৎসক। মই যথেষ্ট ধন উপাৰ্জন কৰিছো। এসময়ত আমাৰ ৰাজ্যৰ শ্ৰেষ্ঠ বাঁহীবাদকসকলৰ ভিতৰত মোৰ নামো আছিল। মোৰ যথেষ্ট খ্যাতি আছিল। ৰাজসন্মানো মই লাভ কৰিছিলো। লাহে লাহে তাৰ প্ৰতিয়েই মোৰ মনোযোগ কেন্দ্ৰীভূত হৈছিল। চিকিৎসা বৃত্তিৰ প্ৰতি মোৰ ধাউতি নোহোৱা হৈছিল। লাহে লাহে মানুহে মোৰ ওচৰলৈ অহা বন্ধ কৰিছিল। পিছতহে গম পালো যে বাঁহী বজাই থাকিলেই পেট নভৰে। কিন্তু সেই কথা বুজি পাঁওতে বহুত পলম হ'ল।"

"বুজিলো। পিছে ইয়াৰ পাছত আপুনি কি কৰিলে?" ৰংগনাথে সুধিলে।

"জীৱন নিৰ্বাহৰ বাবে মই এটা বৃত্তি গ্ৰহণ কৰিছিলো আৰু আত্মতৃপ্তিৰ বাবে আন এটা। কিন্তু আত্মতৃপ্তিকেই সৰ্বস্ব বুলি ভাবি মই বিপদত পৰিলো। পিছত মই এনে এক ঠাইলৈ আহিলো, য'ত মানুহ মোক চিনি নাপায়। সেই চিকিৎসা বৃত্তিকেই সাৰথি কৰি মই এতিয়া জীয়াই আছো। তথাপি কেতিয়াবা আত্মাৰ সন্তুষ্টিৰ বাবে মই বাঁহী বজাঁও।" বিশ্বকেতুৱে বুজাই ক'লে।

বিশ্বকেতুৰ কাহিনীও তেওঁৰ নিজৰ জীৱনৰ কাহিনীৰ দৰে লগাত ৰংগনাথ কিছু সময়ৰ বাবে ভাববিহ্বল হৈ পৰিল। সোনকালেই তেওঁ নিজকে চম্ভালি ক'লে, "বয়সত আপুনি মোতকৈ সৰু হলেও সোনকালে আপুনি জীৱনৰ বাস্তৱিকতা কি তাক বুজি পালে। নিজৰ শুদ্ধ অনুভূতিৰে আপুনি সঠিক পথ বাচি ল'লে। দুখন নাৱত ভৰি ৰাখি যাত্ৰা কৰিলে তাৰ পৰিণতি বিষময় হ'বই। এফালেদি যাত্ৰাও আগ নাবাঢ়ে আৰু আনফালে জীৱনৰ শংকা। সেয়েহে আজি মোৰ এই দুৰ্দশা। মইয়ো আপোনাৰ দৰে এখন অচিনাকি ঠাইলৈ গৈ চিকিৎসা বৃত্তি আৰম্ভ কৰিব খোজোঁ।"

"ভাল চিকিৎসক হিচাপে আপোনাৰ আগৰে পৰা সুনাম আছে। দুয়ো মিলি ইয়াতে কাম আৰম্ভ কৰিলে আমাৰ খ্যাতি বৈ বৈ যাব। আপুনি নিজৰ গাঁৱখন কিয় এৰি যাব লাগিছে?" বিশ্বকেতুৱে ক'লে।

ৰংগনাথে বিশ্বকেতুৰ পৰামৰ্শ ভাল পালে। দুয়ো মিলি সততাৰে চিকিৎসা বৃত্তি চলাই যাবলৈ ধৰিলে। কম দিনৰ ভিতৰতে তেওঁলোক ৰাইজৰ প্ৰিয়পাত্ৰ হৈ উঠিল।

ভাৰতৰ বিষয়ে জানি লোৱা

১. বিভিন্ন ৰাজ্যত মকৰ সংক্ৰান্তি বিভিন্ন ধৰণেৰে পালন কৰা হয় । সঠিক যোৰ বাচি উলিওৱা ।

(ক) চিলা উৰুওৱা — ১. তামিল নাড়ু

(খ) চাউল সিজোৱা — ২. কেৰালা

(গ) পাহাৰীয়া ঠাইত থকা মন্দিৰলৈ তীৰ্থ কৰিবলৈ যোৱা — ৩. গুজৰাট

২. কিংবদন্তীত বৰ্ণিত এজন ৰজাৰ নিজ ৰাজ্যলৈ প্ৰত্যাবৰ্ত্তনৰ উৎসৱ ১০ দিন ধৰি পালন কৰা হয় । সেই শাসক জন কোন?

(ক) যুধিষ্ঠিৰ

(গ) ৰামচন্দ্ৰ

(গ) মহাবলি

৩. এই ছবিখন এনে এজন নেতাৰ, যি এটা উৎসৱক এক নতুন গতি দি এক সামূহিক উৎসৱৰ ৰূপ দিছিল আৰু মানুহৰ মাজত দেশ-প্ৰেমৰ ভাব জগাই তুলিছিল । সেই নেতাজন কোন আছিল? আৰু উৎসৱটো কি আছিল?

৪. মানুহবোৰ সঁচাকৈয়ে আনন্দ মনেৰে আছে । কিন্তু ফটোখনত কিছুমান বিসংগতি আছে । কি বাৰু ?

৫. পয়গম্বৰ মহম্মদৰ পুত্ৰ হুচেইনৰ আত্ম বলিদানৰ দিনটো মুছলমান সকলে পালন কৰে । সেই দিনটো কি ?

(ক) ৰমজান

(খ) ঈদ-উল-জুহা

(গ) ঈদ-উল-ফিটৰ

(উত্তৰ অহা মাহত)

জুলাই মাহৰ উত্তৰ

১. বৃহস্পতি

২. আৰ্য ভট্ট

৩. কৃষিবিজ্ঞান

৪. মদন মোহন মালব্য বেনাৰস হিন্দু বিশ্ববিদ্যালয়

৫. ৰুৰ্কী বিশ্ববিদ্যালয়

৬. ড.এল.কে. অনন্তকৃষ্ণ আয়াৰ



গণেশ

গজানন পণ্ডিতৰ ঘৰত কামধেনুৰ দৰে এজনী খীৰঁতী গাই আছিল । নন্দই এই খীৰঁতী গাইজনীক চোৰা-মেলা কৰিছিল, গাখীৰ খীৰাই গজানন পণ্ডিতক দিছিল । স্বৰকেশৰীয়ে নন্দলৈ ঈৰ্ষা কৰিছিল আৰু নন্দৰ কামলৈ একো গুৰুত্ব দিয়া নাছিল ।

গণেশ পূজাৰ দিন চাপি আহিল । গজানন পণ্ডিতৰ পৰিবাৰে জীয়েকজোঁৱায়েক আৰু নাতি-নাতিনীয়েকহঁতক লৈ আহিবলৈ কল্যাণীনগৰলৈ বুলি খোজ ল'লে । তাৰপৰা উভতি আহোঁতে ভালেকেইদিনমান পলম হ'ল । কথাতে বোলে-যাওঁতে নিজৰ ইচ্ছা, ওভতোঁতে আনৰ । আৰু আনৰ কথা আৰু বানৰ কথা কোনেও ন-দি ক'ব নোৱাৰে ।

গণেশ পূজা উপলক্ষে ৰচিত গান শুনিবলৈ বহু দূৰ দূৰণিৰপৰা বাতাপিনগৰলৈ মানুহ ঢপলিয়াই আহিবলৈ ধৰিলে । গজানন পণ্ডিতেই ৰচক, আৰু তেৰেঁই গায়ক । গজানন পণ্ডিতৰ গানৰ দ্বাৰাইহে বিনায়ক চতুৰ্থীৰ দিনা বিঘ্ননাশী গণেশ পূজাৰ উদ্বোধন কৰা হয় ।

ৰাতিপুৱা, নন্দই স্বৰকেশৰীৰ নিৰ্দেশ অনুসাৰে পানী থকা লোটা এটাত গাখীৰ খীৰাই গজানন পণ্ডিতক দিলেগৈ । গাখীৰত যে পানী মিহলোৱা হৈছে, গজানন পণ্ডিতে সেই কথা নুবুজাকৈ নাথাকিল । গজানন পণ্ডিতে অবাক হৈ নন্দক ক'লে "কি অ' নন্দ, গাখীৰত পানী মিহলাবলৈ কোনে কৈছিলনো তোক?"

নন্দই থতমত খাই ক'লে, "বিঘ্নেশ্বৰৰ নামত শপত খাই কৈছোঁ, মই গাখীৰত পানী মিহলোৱা নাই ।" এই বুলি কৈ কৈ নন্দই চেৰেউ-ফেৰেউকৈ কান্দি থাকিল ।



নন্দই গজানন পণ্ডিতৰ আগত সদায় তলমূৰ হৈ মাত-বোল কৰিছিল । কিন্তু আজি বুকু ফিন্দাই 'মই গাখীৰত পানী মিহলোৱা নাই' বুলি যিদৰে মূৰ দাঙি ক'লে, সেই কথাত গজানন পণ্ডিত আচৰিত নহৈ নোৱাৰিলে । নন্দৰ কান্দোনৰ শব্দ শুনি বাটৰুৱাসকল থমকি ৰ'ল । বাটৰুৱাসকলৰ মাজত থিয় হৈ স্বৰকেশৰীয়েও মজা চাই আছিল । নন্দৰ কান্দোন আছিল তাৰ বাবে অতি আনন্দৰ বিষয়।

নন্দই যে কেতিয়াবা তেওঁৰ আগত মূৰ দাঙি চিঞৰি মাত মাতিব, গজানন পণ্ডিতে তেনেকুৱা কথা কল্পনাও কৰিব পৰা নাছিল। সেয়েহে, নন্দৰ আচৰণত ক্ৰুদ্ধ হৈ গজাননে ক'লে, "নন্দ, তুমি এতিয়া বৰ লায়ক হৈ উঠিছা, নহয় ? শপত কাঢ়িবানে ? কাঢ়াঁচোন শপত আকৌ ?"

গজানন পণ্ডিতৰ গুৰুগম্ভীৰ কণ্ঠস্বৰ শুনি নন্দ শেঁতা পৰিল । সি কিবা নিদাৰুণ অপৰাধ কৰা যেন বোধ হ'ল তাৰ ।

"কি হ'ল ?" গজানন পণ্ডিতে কৰ্কশ মাতেৰে ক'লে, "শপত কাঢ়াঁ ? চাৱেঁইচোন তুমি কিমান শপত কাঢ়িব পাৰা ।"

এই কথা শুনি নন্দ আগতকৈয়ো নিশকতীয়া হৈ পৰিল । তেতিয়া স্বৰকেশৰীয়ে ভিৰ ফালি আগুৱাই আহি নন্দক ক'লে, "তুমি ইমান ভয় কৰিছা কিয়, নন্দ ? গণেশৰ মূৰ্তিৰ আগত চাকি জ্বলাই নিৰ্ভয়ে শপত কাঢ়াঁ। এই কথাত তুমি একো ভয় নকৰিবা।"

স্বৰকেশৰীৰ কথাত নন্দই বুকুত বল পালে। তাত স্বৰ্ণ-নিৰ্মিত গণেশৰ মূৰ্তিৰ আগত চাকি জ্বলি আছিল । সেই মূৰ্তিৰ আগত থিয় হৈ নন্দই ক্ষীণ কণ্ঠেৰে ক'লে, "মই যদি গাখীৰত পানী মিহলাইছোঁ, তেনেহ'লে মোৰ হাত দুখন খহি পৰক । আৰু, মই যদি পানী মিহলোৱা নাই, তেনেহ'লে মোক অকাৰণে দোষাৰোপ কৰাজনৰ কণ্ঠৰপৰা মাত নোলোৱা হয় যেন প্ৰভু ।" এই বুলি কৈ চাকিটো নুমাই সি চকু মুদি থিয় হৈ থাকিল ।

চাওঁতে চাওঁতে গজানন পণ্ডিতৰ কণ্ঠৰপৰা মাত নোলোৱা হ'ল । তেওঁ সম্পূৰ্ণভাৱে বোবা হৈ পৰিল ।

"এস ! কেনে মাৰাত্মক ঘটনা ! কিয় আপুনি শপত কঢ়োৱালে তাক ? নহ'লে আপোনাৰ এনে দশা হয়নে বাৰু ? এনে দশা ন'হলহেঁতেন । এতিয়া সকলোৱে ক'ব

'গজানন পণ্ডিত বোবা' । শপতৰ কেনে আচৰিত গুণ ?" স্বৰকেশৰীয়ে এইবোৰ কথা কোৱা শুনি নন্দই চকু মেলি চালে । সি দেখিলে, নহয়, তাৰ হাত দুখন ঠিকেই আছে, খহি পৰা নাই । সি আনন্দতে স্বৰকেশৰীক সাবটি ধৰিলে ।

এনেতে গজানন পণ্ডিতৰ নাতিয়েক বালক গণেশভট্ট তালৈ আহিল । আহিয়েই এই ঘটনাৰ কথা শুনি বালক গণেশভট্টই খঙে-দুখে গৰ্জি উঠি ক'লে, "ৰ'বা নন্দ, তোমাক বাৰু মজা এপালি দিম মই ।"

নন্দ যন্ত্ৰৱৎ অলৰভাৱে থিয় হৈ থাকিল । গণেশৰ মূৰ্তিৰ আগত চাকিটো আকৌ জ্বলি থকালৈ নন্দই লক্ষ্য কৰিলে ।

"তুমি শপত কৰাৰ পাছত চাকিটো নুমোৱা নাই দেখিছোঁ । শপত কৰাৰ নিয়ম হ'ল যে, চাকি জ্বলাই শপত কাঢ়ি চাকিটো তৎক্ষণাৎ নুমাই দিব লাগে ।" বালক গণেশভট্টই ক'লে।

স্বৰকেশৰীয়ে নন্দক ইংগিতেৰে পুনৰ শপত খাবলৈ ক'লে । বালক গণেশভট্টই নন্দক ক'লে, "নন্দ, ভালকৈ শুনা, তুমি জ্বলি থকা চাকিৰ আগত থিয় হৈ ক'ব লাগিব, 'মই যদি পানীৰ ভিতৰত গাখীৰ মিহাইছিলোঁ, তেনেহ'লে মোৰ হাত খহি পৰে যেন' । যি ক'লোঁ, এতিয়াই কোৱাঁগৈ ।" বালক গণেশভট্টই কঠোৰ আদেশেৰে নন্দক ক'লে।

গণেশভট্টৰ কথা শুনি নন্দৰ হাত-ভৰি ঠিৰঠিৰকৈ কঁপিবলৈ ধৰিলে । সি কঁপা কঁপা মাতেৰে ক'লে, "সৰু বোপা, মই এনে



শপত কাঢ়িব নোৱাৰিম । পানী থকা লোটাৰ ভিতৰত এই স্বৰকেশৰীয়ে মোক গাখীৰ মিহাবলৈ হুকুম কৰিছিল, আৰু মই সেই হুকুম পালন কৰিছিলোঁ । সেয়েহে এই গাখীৰত পানী মিহলোৱা নাই বুলি শপত কাঢিছিলোঁ মই । মোক এতিয়া এই অথন্তৰৰপৰা বচাওক ।" এই বুলি কৈ, নন্দই লোটাটোত যিমানখিনি পানী আছিল সিমানখিনি গাখীৰ লৰালৰিকৈ তাৰ ঘৰৰপৰা লৈ আহিলগৈ আৰু বালক গণেশভট্টৰ আগত কাবৌ-কোকালি কৰি থাকিল ।

তাত উপস্থিত থকাসকলে নন্দৰ কাণ্ড দেখি হাঁহিবলৈ ধৰিলে । এই ছেগতে স্বৰকেশৰী তাৰপৰা নোহোৱা হ'ল । কিছুমানে স্বৰকেশৰীক ধৰি আনিবলৈ তাক বিচাৰি ওলাল ।

তেতিয়া বালক গণেশভট্টই সমবেত



বাইজক ক'লে, “দেখিলেনে, চালাক-চতুৰহঁতে নন্দৰ দৰে সহজ-সৰলহঁতক কেনেকৈ বিপাঙত পেলায় । ইহঁতেই আমাৰ সমাজৰ ডাঙৰ শত্ৰু ।”

“ঠিকেই কৈছা । তুমি বয়সত নিচেই সৰু, কিন্তু বুদ্ধিত ডাঙৰ । তুমি আজি মোৰ চকু মুকলি কৰিলা ।” গজানন পণ্ডিতে তেওঁ বাক্‌শক্তি ঘুৰাই পোৱাত সকলোৰে ভাল পাই আনন্দ প্ৰকাশ কৰিলে ।

বালক গণেশভট্টই তাৰ ককাকক ক'লে, “আপোনাৰ নিচিনা পণ্ডিত এগৰাকীয়ো স্বৰকেশ্বীৰ ফান্দত পৰিবলগা হ'ল । তেনেহ'লে এতিয়া ভাবি চাওক, একদম পঢ়া লিখা নজনা নন্দহঁতৰ অৱস্থা কেনে হ'ব পাৰে এই সমাজত ।”

নাতিয়েক গণেশভট্টৰ কথা শুনি গজানন পণ্ডিতে তাক আঁকোৱালি লৈ ক'লে, “তোমাৰ কথা আখৰে আখৰে সঁচা ।” তাৰ পাছত গজানন পণ্ডিতে ধ্যানস্থ হোৱাৰ মনেৰে চকু মুদিলে । হঠাৎ আন কোনোবা অহাৰ শব্দ উঠাত চকু মেলি চালে তেওঁ । তেতিয়া আগৰ বালক গণেশভট্ট তাত আৰু নাছিল । তেতিয়া তাত থিয় হৈ আছিল তেওঁৰ প্ৰকৃত নাতিয়েক গণেশভট্ট ।

মুহূৰ্ততে গজানন পণ্ডিতৰ চকুযুৰি উজ্জ্বল হৈ উঠিল । তেওঁ ক'লে : “অ' তুমিহে তেন্তে! বিঘ্নেশ্বৰ, তুমি স্বয়ং মোৰ নাতিল'ৰাৰ ৰূপ ধৰি আহি মোক এইদৰে বিঘ্নমুক্ত কৰিলা।”

পাৱনমিশ্ৰই এই কাহিনী কোৱাৰ অন্তত তেওঁৰ শ্ৰোতা ল'ৰা-ছোৱালীহঁতক সুধিলে, “কোৱাচোন, আগতে যিজন বালক গণেশ-ভট্ট আহিছিল, তেওঁ কোন ?”

লগে লগে ল'ৰা-ছোৱালীহঁতে কৈ উঠিল, “কোন আক', স্বয়ং গণাধিপতি ।” তাৰ পাছত পাৱন মিশ্ৰই আকৌ ল'ৰা-ছোৱালীহঁতক ক'বলৈ ধৰিলে :

“তাৰ পাছত গজানন পণ্ডিতে গান গাবলৈ ধৰিলে : তাণ্ডৱ নৃত্যকৰী গজানন ধিনীকিট্ ।...' আনন্দভৈৰৱী ৰাগ শুনি সকলো সন্মোহিত হৈ পৰিল ।

এনেতে ক'ৰবাৰপৰা স্বৰকেশ্বৰী লৰবি আহিল আৰু আহিয়েই গজানন পণ্ডিতৰ ভৰিত ধৰি ক'লে, “মোক ক্ষমা নকৰালৈকে আপোনাৰ ভৰিত মূৰ কুটি থাকিম মই ।”

গজানন পণ্ডিতে শান্ত কণ্ঠেৰে স্বৰকেশ্বীক ক'লে, “স্বৰকেশ্বৰী, আমি একো

নহওঁ, নিমিত্ত মাথোন । সকলো গণাধিপতি বিঘ্নেশ্বৰ গণেশৰ লীলা । মোৰ কৰ্তব্য শেষ হ'ল, আজিৰপৰা সোণৰ এই গণেশ মূৰ্তিৰ আলপৈচান ধৰাৰ দায়িত্ব তোমাৰ ওপৰতে অৰ্পিলোঁ । মই কোনোবা নিৰ্জন নিভৃত নিমাওমাও ঠাইত বহি একমনে গণেশৰ স্তৱগীত গাই থাকিম ।"

"ককা, সেইটো নহৈছে । তোমাৰ গীত তোমাৰ এদনীয়া সম্পত্তি নহয় । তোমাৰ গণেশস্তৱ শুনি মানুহ সৎ, মৰমিয়াল আৰু বিবেকৱান হ'বলৈ শিকিব । গতিকে মানুহৰ আগতে গাব লাগিব সেইবোৰ গীত ।" বালক গণেশভট্টই ক'লে ।

স্বৰকেশৰীয়ে তেতিয়া ক'লে, "গুৰুদেৱ, আপোনাৰ ৰচিত আৰু সুৰাৰোপিত গণেশ স্তৱ গাই গাই মই সকলোতে গণেশমহিমা প্ৰচাৰ কৰিম । এইদৰে এদিন মই বিঘ্নেশ্বৰৰ অনুগ্ৰহ লাভ কৰিব পাৰিম ।"

গজানন পণ্ডিতৰ যাঠি বছৰ পূৰ্তি উপলক্ষ্যে, তেওঁৰ সম্মতি নথকা সত্ত্বেও তেওঁক আদৰণি জনাবলৈ এক বিৰাট সমাবেশৰ আয়োজন কৰা হ'ল । সম্বৰ্ধনা পৰ্ব যথাসময়তে শেষ হ'ল । তেতিয়া গজানন পণ্ডিতে সমৱেত ভদ্ৰমণ্ডলীলৈ সম্বোধন কৰি ক'লে, "ইয়াত বহুতো ৰসজ্ঞ মানুহ উপস্থিত আছে । তেওঁলোকৰ দৰে, মোৰো দৃঢ় ধাৰণা, সংগীত, কাব্য আদিৰ সাৰকথা হ'ল ভকতি । মোৰ গীতৰ একমাত্ৰ উৎস হ'ল ভকতি, আন একো নহয় ।" এই বুলি কৈ, গীত গাই গাই তেওঁ তাণ্ডৱনৃত্য কৰি থাকিল আৰু এসময়ত তেওঁ স্থিৰ হৈ গ'ল ।

বাতাপি-নগৰৰ ইতিহাসত গজানন



পণ্ডিতৰ নাম সোণৰ আখৰেৰে লিপিবদ্ধ হ'ল । এই কথা কৈ পাৱনমিশ্ৰই গজানন পণ্ডিতৰ কাহিনী সামৰিলে ।

আন এদিন, কণমইনাহঁতে আন এখন চিত্ৰ দেখুৱাই পাৱনমিশ্ৰক সেই চিত্ৰৰ কাহিনী শুনাবলৈ অনুৰোধ কৰাত পাৱনমিশ্ৰই ক'বলৈ ধৰিলে :

দেৱৰাজ ইন্দ্ৰই সগৰৰাজৰ যজ্ঞৰ অশ্ব লুকাই থৈছিল । যজ্ঞ ঠিকমতে শেষ হোৱাৰ আগতেই যজ্ঞৰ অশ্ব হঠাৎ চুৰি হোৱাত সগৰৰাজৰ যজ্ঞ অসমাপ্ত থাকিল ।

এসময়ত পৃথু ৰজাৰ পুত্ৰ অভিনন্দ মহাৰাজে এখন মহাযজ্ঞ পাতিছিল । এই যজ্ঞত যোগদানৰ বাবে পৃথুৱে ইন্দ্ৰলৈ আমন্ত্ৰণ কৰা নাছিল । ইন্দ্ৰৰ উগ্ৰ খং উঠিল আৰু সেই যজ্ঞ বিনষ্ট কৰিবলৈ 'কাল'ক পঠালে । 'কাল' হ'ল সকলো কালৰ নিয়ন্ত্ৰক । প্ৰতিটি প্ৰাণীৰ জীৱন-মৰণৰ সকলো ক্ষমতা কালৰ হাতৰ মুঠিত থাকে । সেয়েহে কালৰ অন্য নাম হ'ল যম । এই কালৰ আন এটি নাম হ'ল কালধৰ্ম।

ইন্দ্ৰৰ কথাত, অভিনন্দৰ হোমাগ্নিৰ পৰা কালে এক ভয়ংকৰ ৰূপ ধাৰণ কৰি জাগি উঠিল । এনে এক ৰূপ লৈ জাগি উঠিল, যাক এআষাৰত জন্তু বা ভূত বুলিও কোৱা নাযায়। অগ্নিৰ লেলিহান শিখাৰপৰা ওলাই অহা সেই ভয়ংকৰ আৰু অতিশয় অদ্ভুত বীভৎস মূৰ্তি দেখি অত্যন্ত ভয় খাই যজ্ঞত উপস্থিত হোৱা সমবেত ৰাইজ তাৰপৰা ফৰিং ছিটিকা দিলে।

অভিনন্দ আছিল গণেশ-ভক্ত । তেওঁৰ গুৰু আছিল বশিষ্ঠ । বশিষ্ঠই ক'লে, "হে ৰজা, এনেহেন বিঘ্ন এটাই মূৰ দাঙিব বুলি মই আগতেই জানিছিলোঁ । সেয়েহে, মই যজ্ঞথলীত আগবেপৰাই স্বস্তিকাচিহ্ন আঁকি লৈছোঁ । এই চিহ্ন স্বয়ং বিঘ্ননাশী গণেশৰ প্ৰতীক। এই স্বস্তিকা চিহ্নৰ মাজত অলপমান হালধি সানি গণেশ দেৱতাক সুঁৱৰিলেই বিঘ্ননাশ হ'ব ।"

ৰজা অভিনন্দই তাকে কৰিলে । লগে লগে সেই স্বস্তিকা-চিহ্নৰপৰা ভয়ংকৰ নাদ অৰ্থাৎ গৰ্জন শুনা গ'ল । সেই ভয়ংকৰ ধ্বনি শুনি, যজ্ঞাগ্নিৰপৰা পৰুৱাৰ দৰে কোটি কোটি এন্দুৰ ওলাই আহিল আৰু সেই সংখ্যাতীত এন্দুৰ-বাহিনীয়ে কালক মুখেৰে কুটি-কুটি চোবাই খাবলৈ ধৰিলে । চাওঁতে চাওঁতে বিকট বীভৎস আকৃতি লোৱা কালে আৰ্তনাদ কৰিবলৈ ধৰিলে আৰু এছেগত কাল তাৰপৰা অদৃশ্য হ'ল ।



ৰাক্ষসীৰ পোহনীয়া ভাটৌ

বীৰেশ্বৰ বৰ সৰল আছিল । সি যদি জানিছিল যে কোনোবাই তাৰ অপকাৰ কৰিবলৈ ধৰিছে তথাপি সি বিৰোধিতা নকৰিছিল । মনে মনে আছিল । সি তেঁওৰ গাখীৰ বেচি নিজৰ পৰিয়াল চলাইছিল ।

সিহঁতৰ জুপুৰীৰ ওচৰতে কাঠৰ এটা পুৰণা ঘৰ আছিল । অলপতে বিষ্ণু আৰু লক্ষ্মী নামৰ এহাল দম্পতী তাত ভাৰাত থাকিবলৈ আহিল ।

সিহঁত দুয়োটা নিজৰ কাম আদায় কৰাত বৰ চতুৰ আছিল । দুই-তিনিদিনৰ ভিতৰতে সিহঁতে গম পালে যে বীৰেশ্বৰ একেবাৰে আপোনভোলা মানুহ । সিহঁতে তাৰ সুবিধা ল'বলৈ ধৰিলে । মিঠা-মিঠা কথা কৈ সিহঁতে নিজৰ কাম কৰোৱাবলৈ ধৰিলে । বীৰেশ্বৰে চহৰত গাখীৰ বেচাৰ পিছত সিহঁতৰ কাৰণে দৰকাৰী বস্তু কিনি আনিব লগা হৈছিল । আনকি সিহঁতৰ চোতালো সাৰিব লগা হৈছিল । কেতিয়াবা কুঁৱাৰ পৰা পানী তুলি সিহঁতৰ পাত্ৰবোৰ ভৰাব লগা হৈছিল ।

ইয়াৰ মাজতে বীৰেশ্বৰে নিজৰ জীয়েকৰ বিয়া ঠিক কৰিলে । যিহেতু সোনাপুৰত ভাল পাটৰ শাড়ী পায় সেয়ে শাড়ী কিনিবলৈ সি সোনাপুৰলৈ যাবলৈ সাজু হ'ল ।

আগফালে চোতালত বহি থকা বিষ্ণুৱে তাক ক'লে, "মোৰ পত্নীৰ বাবেও এখন ভাল শাড়ী আনিবা । ঘূৰি অহাৰ পিছত মই পইচা দি দিম ।"

বীৰেশ্বৰে সোনাপুৰৰ পৰা লক্ষ্মীলৈয়ো এখন শাড়ী কিনিলে । যেতিয়া সি ঘূৰি আহিল তেতিয়া সি ঘৰত সোমোৱাৰ আগতেই বিষ্ণুৱে তাক ৰাখি পাটৰ শাড়ীকেইখনৰ এখন ভাল শাৰী বাচি ল'লে আৰু ক'লে, "আজি শুকুৰবাৰ । মোৰ পত্নীয়ে বাকচৰপৰা পইচা নুলিয়ায় । পইচা কাইলৈ দিম ।"

কিন্তু চাৰিদিনৰ পিছতো বিষ্ণুৱে তাক

ভৱানী প্ৰসাদ

পইচা নিদিলে। জীয়েকৰ কাৰণে খাৰু গঢ়াবৰ হ'ল। উপায়ন্তৰ হৈ বীৰেশ্বৰে বিষ্ণুৰ দুৱাৰত টুকুৰিয়ালে । দুৱাৰ খুলিয়েই সি বিষ্ণুক ক'লে, "মোৰ পইচাৰ বৰ দৰকাৰ । পাটৰ শাড়ীখনৰ সেই পাঁচশ টকা অনুগ্ৰহ কৰি দিয়ক । হাত যোৰ কৰি সি ক'লে ।

বিষ্ণু কোঁকোৱাই ভিতৰলৈ গ'ল আৰু ঘূৰি আহি শাড়ীখন মাটিত দলিয়াই কৈ উঠিল, "তোমাক আৰু তোমাৰ শাড়ীক নমস্কাৰ! মোৰ পত্নীৰ এই শাড়ীখন একেবাৰে ভাল লগা নাই । লৈ যোৱা ।"

বীৰেশ্বৰৰ পত্নীয়ে যেতিয়া এই কথা গম পালে তেতিয়া তেওঁ স্বামীক ক'লে, "আমি নো এতিয়া কি কৰিব পাৰোঁ ? আমাক সোনকালে পইচা লাগে । আমাৰ চিনাকী সেই দোকানীজনৰ ওচৰলৈকে যাওক আৰু শাড়ীখন ঘূৰাই পইচা লৈ আহক ।"

বীৰেশ্বৰ ততাতৈয়াকৈ সোনাপুৰলৈ বুলি ওলাল। কিন্তু এইবাৰ ৰাজপথেদি নগৈ অৰণ্যৰ মাজৰ চমু ৰাস্তাইদি যাবলৈ ধৰিলে । সোনকালে ঘূৰাৰ উদ্দেশ্যৰেই সি এনে কৰিছিল । অৰণ্যৰ একেবাৰে মাজত এজোপা বৰগছ আছিল । সেই গছজোপাৰ ঘন ডাল-পাতৰ মাজত এজনী ৰাক্ষসী আছিল। তায়ো নিজৰ জীয়েকৰ বিয়াৰ যা-যোগাৰত ব্যস্ত আছিল।

বীৰেশ্বৰক দেখি তাই আটাহ পাৰি উঠিল, "ঘোৰ কলিকাল, দিনে দুপুৰে মোৰ দৰে ৰাক্ষসী বাস কৰা ঠাইত ওলালিহি; তোৰ ইমান সাহস ?"

ৰাক্ষসীক দেখি বীৰেশ্বৰে থৰ্‌থৰকৈ কঁপি হাত যোৰ কৰি ক'লে, "ৰাক্ষসী মা, মোৰ একো অপকাৰ নকৰিব । মোৰ একমাত্ৰ কন্যাৰ বিবাহৰ যা-যোগাৰ কৰি আছোঁ ।" পিছত সি গোটেই কথাবোৰ সবিস্তাৰে শুনালে আৰু ক'লে, "পাটৰ শাড়ী ঘূৰাই পইচা আনিবলৈ সোনাপুৰলৈ বুলি ওলাইছোঁ। সোনকালে পোৱাৰ উদ্দেশ্যেৰে মই এই জংঘলী ৰাস্তাৰে আহিছোঁ ।"

ৰাক্ষসীয়ে কিবা কওঁ বুলি মুখ মেলোঁতেই কইনাৰ সাজেৰে সাজি তাইৰ জীয়েক ধুৰুম কৈ গছৰ পৰা তলত পৰিলহি আৰু বীৰেশ্বৰৰ হাতৰপৰা মোনাটো টানি ল'লে । মোনাৰ পৰা শাড়ীখন উলিয়াই তাই মাকক দেখুৱাই ক'লে, "মা চোৱা, এই শাড়ীখন কিমান সুন্দৰ । গছৰ ছালৰ সলনি বিয়াৰ দিনা মই এইখন পিন্ধিলে মানুহে মোক ৰৈ ৰৈ চাব । এই শাড়ীখনৰ পইচা দি এইখন লৈ লোৱাঁ ।"

ৰাক্ষসীয়ে জীয়েকৰ কথা মতে শাড়ীখনৰ

দাম বীৰেশ্বৰক দি দিলে । সি পইচা লৈ যেতিয়া যাবলৈ ওলাল তেতিয়া ৰাক্ষসী কন্যাই এটা সঁজাত বন্দী ভাটৌ তাক দি ক'লে, "ইয়াক মই কথা ক'বলৈ শিকাইছোঁ। নিজৰ প্ৰাণতকৈও ইয়াক মই ভাল পাওঁ । পিছে ই হেনো মোৰ হ'বলগীয়া শহুৰৰ ঘৰত পোৱা ভাটৌ, আন চৰাই বা পোক-পতংগ আটাইকে মাৰি শেষ কৰিব । এই ভাটৌটোৰ কাৰণেই মই বাৰু কিয় শাহু আইৰ লগত কাজিয়া চপাই লওঁ ? এই কথকী ভাটৌটোক তুমিয়েই লৈ যোৱা ।"

বীৰেশ্বৰে ভাটৌটো লৈ ঘৰলৈ উভতি আহিল । যেতিয়া সি ঠিক ঘৰ পাইছেহি তেতিয়া আগফালে চোতাল সাৰি থকা লক্ষ্মীয়ে সঁজাত বন্দী ভাটৌটো দেখিলে । তেওঁ বীৰেশ্বৰৰ মুখৰ পৰা সম্পূৰ্ণ বিৱৰণ শুনাৰ পিছত ক'লে, "ইয়াৰ অৰ্থ এয়ে যে আপুনি শাড়ীৰ দাম পালে । সেই শাড়ীখন মোৰ ভাল লগা নাছিল, সেই কাৰণেহে আপুনি সোনাপুৰলৈ যাব লগা হ'ল আৰু এটা কথা কোৱা ভাটৌ পালে । মোৰ কাৰণেই এই সকলোবোৰ সম্ভৱ হ'ল, গতিকে এই ভাটৌটো মোৰ ।" এইবুলি কৈ লক্ষ্মীয়ে ভাটৌটো কাঢ়ি ল'লে ।

যেতিয়া লক্ষ্মীয়ে ভাটৌটো লৈ ভিতৰলৈ সোমাই গ'ল বিষ্ণুয়ে আচৰিত হৈ তাইলৈ চাই সুধিলে, "এই ভাটৌটো কিয় লৈ আহিছা? কি কৰিব খুজিছা ?"

"চাই থাকক । এই কথা কোৱা ভাটৌটোৰে মই নিজৰ ভাগ্য সলাই পেলাম।" লক্ষ্মীয়ে গৰ্বভৰা মাতেৰে ক'লে।

"ভাটৌৱে কিবা ক'ৰবাত ভাগ্য সলাই পেলোৱা শুনিছানে?" সংশয় মিহলি কণ্ঠেৰে বিষ্ণুৱে ক'লে ।

"তেন্তে শুনা । পৰহিলৈ আমাৰ ৰজাৰ ল'ৰাৰ পঞ্চম জন্মদিন । বৰ ধুমধামকৈ উৎসৱ পাতিবলৈ লৈছে । ৰজাৰ ল'ৰাক তাৰ পাঁচ বছৰীয়া জন্মদিনত এই কথা কোৱা ভাটৌটো উপহাৰ স্বৰূপে যদি দিওঁ, তেন্তে ৰজাই আমাক ইমানেই এসোপা সোণ দিব যে যিটো আমি সপোনতো ভাবিব নোৱাৰো ।" লক্ষ্মীয়ে প্ৰত্যয়ভৰা মাতেৰে ক'লে ।

লক্ষ্মীৰ এই কথা, সম্পূৰ্ণ ন'হলেই ঠিক তেনেকুৱাতে নিজৰ পাখী কোবাই মিঠা মাতেৰে ভাটৌটোৱে ক'লে, "বাহ,মোৰ কি ভাগ্য !"

পিছদিনাখন বিষ্ণু আৰু লক্ষ্মীয়ে ৰাক্ষসীৰ জীয়েকৰ পোহনীয়া ভাটৌটো লৈ ৰাজধানী পালেগৈ । ৰাজপ্ৰাসাদত যুৱৰাজৰ জন্মদিনৰ

উৎসৱ ধুমধাম কৈ চলি আছিল । লক্ষ্মীয়ে ৰজাক সবিনয় প্ৰণাম কৰি ক'লে, "প্ৰভু, যিদিনা যুৱৰাজৰ জন্ম হৈছিল, সেই দিনাই অনেক কষ্ট কৰি মই এই ভাটৌটো ধৰিছিলো আৰু তেতিয়াৰ পৰাই বৰ মৰম কৰি মই ইয়াক পালন কৰি আহিছোঁ । ইয়াক মৰম কৰি কথা ক'বলৈয়ো শিকাইছোঁ । যুৱৰাজৰ জন্মদিনত মোৰ ফালৰপৰা এই উপহাৰ স্বীকাৰ কৰক।"

লক্ষ্মীৰ কথা ৰজা আৰু ৰাণীৰ বৰ ভাল লাগিল । তেওঁলোক আনন্দিত হ'ল । যুৱৰাজে বৰ মৰমেৰে চৰাইটো নিজৰ হাতত ল'লে । "এই কথা পাত, মোৰ লগত কথা পাত ।" ভাটৌটোক চুমা খাই খাই সি ক'লে ।

ৰাক্ষসীৰ জীয়েকৰ পৰা কথা কবলৈ শিকা ভাটৌটোৱে ক'লে, "বাহ, মই কিমান ভাগ্যশালী ! মোৰ ভাগ্যক কি বুলি ক'ম? এই জীৱন কালত মই নৱবধুৰ দৰে উজ্বলি উঠিছো, জিলিকিব ধৰিছো । মৰিবৰ সময়তো গলিব ধৰা ঘিউৰ দৰে সুগন্ধ বিয়পাম । তোমাক দেখি এনে লাগিছে যেন মই তোমাক এতিয়াই চোবাই পেলাম ।" এইদৰে কৈ যুৱৰাজৰ হাত দুখনত ভাটৌটোৱে জোৰেৰে ধৰিলে ।

যুৱৰাজে ডাঙৰকৈ কান্দিবলৈ ধৰিলে আৰু ভাটৌটো এৰি দিলে । পিছ মুহূৰ্ত্তত ভাটৌটো উৰি গ'ল । যুৱৰাজৰ গালৰ পৰা তেজৰ টোপাল পৰিবলৈ ধৰিলে ।

ৰাজবৈদ্য আহি তৎক্ষণাৎ যুৱৰাজৰ চিকিৎসা কৰিলে । মন্ত্ৰীয়ে ক'লে, "মহাৰাজ, ই চুবুৰীয়া ৰজাৰ ষড়যন্ত্ৰ । যুৱৰাজৰ জন্ম দিনত জানি বুজি অশুভ কথা কোৱাবলৈকে ভাটৌটোক কথা ক'বলৈ শিকাই ইয়ালৈ পঠিয়াই দিছে ।"

ৰজাই তৎক্ষণাৎ হুকুম দিলে যে বিষ্ণু আৰু লক্ষ্মীক চাবোকেৰে কোবোৱা হওক আৰু তাৰ পিছত তেওঁলোকক কাৰাগাৰলৈ পঠিয়াই দিয়া হওক ।

বিষ্ণু আৰু লক্ষ্মীক নিজকে নিৰ্দোষী বুলি প্ৰমাণ কৰিবলৈ ছমাহ লাগিল । পুনৰ গাৱঁলৈ ঘূৰি আহিবলৈ সিহঁতৰ সংকোচ হ'ল । সেই কাৰণে অন্য এখন গাৱঁত গৈ থাকিবলৈ ল'লে।

ৰাক্ষসীৰ জীয়েকৰ ভাটৌৰ বাবেই বীৰেশ্বৰ, বিষ্ণু আৰু লক্ষ্মীৰ অত্যাচাৰৰ পৰা বাচিল । আৰু নিজৰ পত্নীৰ লগত বিষ্ণুৱে সুখেৰে জীৱন কটাবলৈ ধৰিলে ।





ভুলৰ উপলব্ধি

ধনীৰাম এজন সাধাৰণ বেপাৰী আছিল । অলপতে সি সীতাক বিয়া কৰাইছে । তাই শহুৰী খাটিবলৈ অহাৰ এমাহ পূৰা হৈছে কি নাইহোৱা তেনেকুৱাতে কথাই কথাই কাজিয়া কৰি থাকে বুলি শাহুৱেকক নন্দেকৰ ঘৰলৈ যাবলৈ বাধ্য কৰিলে । এতিয়া ঘৰত থাকিল কেৱল ধনীৰাম আৰু সীতা ।

সিহঁতৰ ঘৰৰ এফালে থাকে মনিৰামৰ পৰিয়াল আৰু আনফালে সোমনাথৰ পৰিয়াল । এই দুঘৰ মানুহ চহকী নাছিল । সেই কাৰণে মনিৰামৰ পত্নী ৰমা আৰু সোমনাথৰ পত্নী সন্ধ্যাই সীতাৰ সৈতে বন্ধুত্ব কৰিলে। মাজে সময়ে তেওঁলোকে সীতাৰ পৰা দাইল, চেনি আদি খুজি নিয়াৰ চেষ্টা চলাইছিল । কিন্তু সীতাই এইবোৰ কথাত বৰ সাৱধান হৈ চলিছিল । তাই তেওঁলোকৰ লগত মিঠা মিঠাকৈ কথা পাতিছিল কিন্তু সদায় শুদাহাতে ঘূৰাই পঠাইছিল ।

কিন্তু, ইফালে কিছুদিনৰপৰা ধনীৰাম আৰু সীতাৰ মাজত সৰু সৰু কথাক লৈয়ে কাজিয়া হ'বলৈ ধৰিলে। সীতা বৰ টেঙৰ আছিল । দুপৰীয়া আহাৰ ৰান্ধোতেই ৰাতিৰ আহাৰো ৰান্ধি থয় আৰু গোটেই দিনৰ কাম শেষ কৰি আনন্দ মনেৰে থাকে । ধনীৰাম ৰাতি দেৰীকৈ ওভতে, কাৰণ সি দোকানত থাকিব লগা হয় । ঘূৰি আহি যেতিয়া সি খাবলৈ বহে তেতিয়া কাঁহীত একেবোৰ ব্যঞ্জনকে দেখি তাৰ খং উঠে আৰু কয়, "এইবোৰ বাহী বস্তু । ৰাতিও কিবা এটা ৰান্ধিলে তোমাৰ কি লোকচান হয় ? মোৰ মায়ে কেতিয়াও মোক বাহী বস্তু খুওৱা মোৰ মনত নাই ।"

তাৰ এই অভিযোগত সীতা একেবাৰে জাঙুৰ খাই উঠিল আৰু চিঞৰি চিঞৰি ঠাট্টা কৰি ক'লে, "হয়, হয়, কিয় ন'হব, তোমাৰ পৰিয়ালতো একেবাৰে জমিদাৰৰ পৰিয়াল। তোমাৰ উপাৰ্জনৰ বলতেইতো মই আৰামৰ জীৱন কটাইছোঁ । মোৰ মাৰ বায়েকৰ জীয়েকৰ দৰা মাত্ৰ তিনি একৰ মাটিৰ গৰাকী আছিল । কিন্তু বিয়াত তেওঁ ছয় তোলা সোণ

ৰামপাল



দিছিল আৰু বিয়া হোৱাৰ তিনি মাহৰ ভিতৰতে তিনি তোলা সোণৰ হাৰ দিছিল। ৰাতিয়ে-দিনে ব্যৱসায়েই কৰি আছা তথাপি তুমি আৰু তোমাৰ মাৰাৰ এইকণ জ্ঞান নাই যে ঘৰৰ বোৱাৰী জনীলৈ এডাল হাৰ কৰাও। বিয়াৰ ছমাহ পাৰ হৈ গ'ল, তথাপি তুমি মোৰ কাৰণে কিবা কিনিছানে?"

লাহে লাহে দুয়োৰে মাজত কাজিয়া বাঢ়ি আহিল। এজনে আনজনক দূষিবলৈ ধৰিলে। ধনীৰামে এদিন খঙৰ ভমকত একোনাই হৈ ক'লে, "তোমাৰ দৰে ৰাক্ষসীৰ লগত সংসাৰ চলোৱা মোৰদ্বাৰা সম্ভৱ নহয়। ইয়াতকৈ মই অকলে জীৱন কটোৱাই ভাল হ'ব। যোৱা, য'লৈকে যাব খুজিছা, গুচি যোৱা।" এইদৰে কৈ তেওঁ সীতাৰ হাতত ধৰি দুৱাৰৰ ফালে ঠেলা মাৰি পঠিয়ালে।

সীতাৰো খং উঠিছিল আৰু চাৰি পাঁচখন শাড়ী বান্ধি লৈ ক'লে, "চোৱা, মই যাওঁ, তুমি কেনেকৈ জীৱন কটোৱা, সেইটো মোৰ মূৰ কামোৰণি নহয়। যেনেকৈ ভাল দেখা থাকা। যেতিয়ালৈকে তুমি নিজে মোক নিবলৈ নাহা, তেতিয়ালৈকে এইখন ঘৰত মই ভৰি নিদিওঁ।" এইদৰে কৈ তাই ওলাই গ'ল।

"মই তোমাক নিবলৈ আহিম? অসম্ভৱ। এইটো কেতিয়াও হ'ব নোৱাৰে। মই মহাৰাজৰ দৰে জীৱন কটাম আৰু ভুলতো তোমাৰ কথা মনত নেপেলাওঁ। যোৱা, যোৱা।" চিঞৰি চিঞৰি তেওঁ ধাম কৈ দুৱাৰ বন্ধ কৰি দিলে।

মুহূৰ্ত্তৰ ভিতৰতে ওচৰ চুবুৰীয়াই কথাটো গম পালে। এঘন্টা পূৰা হোৱাৰ আগতেই ৰমাই গৰম পকৰি বনাই লৈ আহিল আৰু ধনীৰামৰ সমুখত থালখন লৈ ক'লে, "ককাইদেউ, আপোনাৰ এই অৱস্থা দেখি মোৰ কান্দিম যেন লাগিছে। নাজানো, আপুনি অকলৈনো কেনেকৈ থাকিব। ভোক লাগিছে ছাগৈ। সেয়ে মই পকৰি বনাই লৈ আহিছো। গৰম হৈ আছে। খাওক।" গৰম-গৰম পকৰি দেখি ধনীৰামৰ জিভাৰ পানী পৰিবলৈ ধৰিলে। সি ততালিকে এটুকুৰা ছিঙি মুখত দিলে।

ৰমাই স্ফূৰ্ত্তি পাই তাক ক'লে, "ককাইদেউ, এটা সৰু কথা সোধো। বেয়া পাব নেকি আকৌ? আপোনাৰ ভাগিনী, মানে মোৰ ছোৱালীজনীক চাবলৈ আহিব। তাইৰ ডিঙিত পিন্ধিবলৈ আধাতোলা সোণৰ হাৰ এডালো নাই। মোক এই চিন্তাই খুলি খুলি

খাইছে যে মই তাইক এনেকৈ দৰাঘৰীয়াৰ আগত কেনেকৈ উলিয়াম । সীতাৰ হাৰডাল অলপ সময়ৰ বাবে দিবনে ? আলহী যোৱাৰ লগে লগে মই আপোনাক ঘূৰাই দিম । দৰাৰ ঘৰীয়া আহিলে কিন্তু আপুনিও আহিব লাগিব। আপুনি যিহেতু মোৰ ককাইদেউ, আপুনি থাকিবই লাগিব ।"

ৰমাই বৰ আত্মীয়তাৰ সুৰত মিঠা মিঠাকৈ কথাবোৰ কৈছিল । ধনীৰামৰ সীতাৰ ওপৰত খং উঠি য়েই আছিল । সেয়ে ৰমাৰ কথা বিলাক তাৰ ভাল লাগিল । তৎক্ষণাৎ সি ঘৰৰ ভিতৰলৈ গ'ল আৰ সীতাৰ হাৰ এডাল লৈ ৰমাৰ হাতত দি ক'লে, "লৈ যোৱা ৰমা, চিন্তা কৰাৰ কোনো কাৰণ নাই । লাহে-ধীৰে দিলেও হ'ব ।"

ৰমাই তাৰ ভূৰি ভূৰি প্ৰশংসা কৰি হাৰডাল লৈ ঠিক যাবলৈ ওলাইছেহে তেনেতে এজন আদবয়সীয়া মানুহ তাত ওলালহি । তেওঁ ধনীৰামক সুধিলে, "এই মহিলা গৰাকী কোন আৰু কি লাহে ধীৰে ঘূৰালেও হ'ব বুলি কৈছে ? কোৱাচোন, আচল কথাটো কি ?"

অকস্মাতে তালৈ অহা বিনন্দ খুৰাক দেখি ধনীৰামৰ এফালেদি যেনেকৈ ভাল লাগিল তেনেকৈ আনফালেদি ৰমাৰ চিন্তা হ'ল ।

বিনন্দই সকলো কথা জনাৰ পিছত ৰমাৰ ফালে ঘূৰি ক'লে, "এই হাৰ ডাল সীতাৰ নহয়, মোৰ ছোৱালীৰ । বিয়াৰ সময়ত নিজৰ বোৱাৰীৰ ডিঙিত পিন্ধাবলৈ মোৰ নবৌৱে এইডাল লৈছিল । এতিয়া মোৰ ছোৱালীৰো বিয়া ঠিক হেছে । সেয়ে এই হাৰ ডাল লৈ যাবলৈ আহিলো।

ধনীৰামে জানিছিল যে খুৰাকে মিছাকৈ কৈছে । সি এই কথাত আচৰিতো হ'ল । সি থিৰ কৰিব নোৱাৰিলে কি কওঁ, কেনেকৈ কওঁ ? কিন্তু তেতিয়ালৈ ৰমাই হাৰ ডাল বিনন্দৰ হাতত দিলে ।

ৰমাই যেতিয়া দুৱাৰডলি পাৰ হৈছিল তেতিয়া হাতত এখন খালী থালি লৈ সন্ধ্যা সোমাই আহিল । সমুখত বিনন্দ থিয় হৈ থকা দেখি সন্ধ্যা তভক খাই গ'ল ।

"তুমি কোন ? তোমাক কি লাগে ?" বিনন্দই সন্ধ্যাক সুধিলে । এই প্ৰশ্নত সন্ধ্যাই আৰু ভয় খালে আৰু কাঁলে, "ঘৰত চাউল নাই । ল'ৰা-ছোৱালীকেইটা ভোকতে আধামৰা হৈছে । সেয়ে....।"

তাই কথা পূৰা কৰিবলৈ নাপালেই, তেনেতে ধুমুহাৰ দৰে ঘৰৰ ভিতৰলৈ সোমাই অহা সীতাই ক'লে, "সকলো ফাঁকি । কালি

সন্ধিয়া তোমাৰ ল'ৰাক চাউলৰ মস্ত বেগ এটা লৈ যোৱা দেখিছো ।" পুনৰ তেওঁ নিজৰ স্বামীৰ ফালে চাই ক'লে, বহু সময় ধৰি মই আৰু তোমাৰ খুৰা খিৰিকীৰ ওচৰত ঠিয় হৈ এই কাণ্ড চাই আছিলোঁ । মোৰ অনুপস্থিতিৰ সুযোগ লৈ এই চুবুৰীয়া বোৱে তোমাক কেনেকৈ ঠগি আছে, দেখিছানে ?

সীতাৰ এই অপ্ৰত্যাশিত আগমনত ধনীৰাম আৰু সন্ধ্যা স্তম্ভিত হ'ল । সন্ধ্যা যোৱাৰ পিছত বিনন্দই পতি-পত্নীক ক'লে, "দেখিলা, তোমালোকে কাজিয়া কৰাৰ ফলত কি হ'বলৈ পালে? তোমালোক মিলি জুলি থকা উচিত । পতি-পত্নীয়ে যেতিয়া নিজৰ ভিতৰতে কাজিয়া কৰে তেতিয়া স্বাৰ্থপৰ চুবুৰীয়াই নিজৰ স্বাৰ্থ পূৰায় । এক মুহূৰ্ত্ত ৰৈ বিনন্দই আকৌ ক'লে, "নবৌ যদিও নিজৰ ননদৰ ঘৰত আছে, তথাপি তোমালোক দুয়োকো লৈ সদায় চিন্তিত হৈ থাকে । এই কথা ক'বলৈকে মই ইয়ালৈ আহিলোঁ । ভালেই হ'ল, মই সময়তে আহিলো ন'হলে অঘটন ঘটিলহেতেঁন ।" এইদৰে কৈ তেওঁ হাৰডাল সীতাক দি দিলে।

"ভাগ্য ভাল যে মই ৰাস্তাতে আপোনাক পালো। ই আমাৰ দুয়োৰো সৌভাগ্য ।" এইদৰে কৈ সীতাৰ চকু চলচলীয়া হৈ পৰিল।

"মোৰ নবৌৱে নিজৰ ভাবী বোৱাৰীৰ কাৰণে পাই-পাইকৈ পইচা গোটাই এই হাৰডাল গঢ়াইছিল ।"

আগ পিছ নভবাকৈ মোৰ নবৌক তুমি ঘৰৰ পৰা উলিয়াই দিলা । তুমি এতিয়া অন্ততঃ সঁচাকৈয়ে এইকথা ভবা উচিত আছিল যে ঘৰত জ্যেষ্ঠ লোক থকাটো কিমান প্ৰয়োজনীয় । তেওঁক সন্মান কৰা, তেওঁৰ কথা মানি চলা তোমাৰ কৰ্ত্তব্য । তোমাৰ বাবে ই মঙ্গলময় হ'ব ।"

তেওঁৰ এই কথা শুনি লাজত মূৰ দোঁৱাই সীতাই ক'লে, "মই নিজৰ ভুল বুজি পাইছো। এই উপলব্ধি কেতিয়াও নাপাহৰো।" আকৌ ধনীৰামক ক'লে, "শাহু আইক লৈ আনিবলৈ তুমি আজিয়েই যোৱা।"

পত্নীৰ কথাত ধনীৰামৰ মুখত হাঁহি বিৰিঙিল । স্বামীৰ মুখত হাঁহি দেখি সীতাই বিনন্দক ক'লে, যেতিয়ালৈকে শাহুআই নাহে, তেতিয়ালৈকে মই আপোনাক যাবলৈ নিদিওঁ । তেখেত অহাৰ পিছত অন্ততঃ দুই-তিনিদিন থাকি আপুনি যাবগৈ ।

আৰ্য

এজন অজ্ঞাত যুৱৰাজৰ সাহসিকতাৰ বিচিত্ৰ কাহিনী

তেতিয়া তেঁওৰ বাল্যকাল। বন্য প্ৰাণীৰ মাজত যেতিয়ালৈকে আছিল, তেতিয়ালৈকে তেওঁৰ জীৱন নিষ্কন্টক আছিল, যৌৱনত ভৰি দিয়েই তেঁও আহিল মানুহৰ মাজলৈ । লগে লগে ইটোৰ পাছত সিটোকৈ আৰম্ভ হ'ল তেঁওৰ বিলাই বিপত্তি। তেঁওৰ জীৱন বিপদাপন্ন হ'ল । এইবোৰ বিপদ তেঁওৰ বনৰীয় জীৱ-জন্তুৰ পৰা অহা নাছিল। আহিছিল মানৱ বাঘৰ পৰাই । তেওঁ আছিল বলৱান আৰু লগতে সাহসী । শত্ৰুৰ মোকাবিলা কৰাত আৰু শত্ৰুক নাশ কৰাত তেঁও কেতিয়াও পিছহুহঁকি অহা নাছিল । অসাধাৰণ বীৰত্বৰ এই আৰ্য কোন? এজন বিচিত্ৰ অজ্ঞাত যুৱৰাজ! চান্দমামাৰ চেপ্তেম্বৰ ২০০৩ সংখ্যাৰ পৰাই পঢ়িবলৈ পাবা নতুন কমিক্চ ৰূপে এই সাহসী যুৱকৰ বিচিত্ৰ কাহিনী । লাভ কৰিবা বিৰল আনন্দ । ওচৰৰ এজেন্টক কৈ আজিয়েই তোমাৰ কপিটো কিন্তু নিশ্চিত কৰি থ'বা দেই ।



জীৱনৰ ৰহস্য

বসন্তপুৰ নামেৰে এখন সুন্দৰ গাওঁ আছিল। তাৰ চাৰিওফালে পাহাৰেৰে ঘেৰা আছিল আৰু গাৱঁৰ কাষেদি কুলুকুলু সুৰেৰে এখন নদী বৈ গৈছিল। তাৰেই পাৰৰ এটা কুটীৰত মৌন যোগী নামৰ এজন বেদজ্ঞ পুৰুষ আছিল। কিন্তু তেওঁ মাহটোত কেৱল পূৰ্ণিমাৰ দিনাহে ভক্তসকলক দৰ্শন দিছিল। এঘন্টা সময় ধৰি ভক্তসকলে সোধা প্ৰশ্নৰ উত্তৰ দিছিল, তেওঁলোকৰ সন্দেহ দূৰ কৰিছিল আৰু বাকীবোৰ দিন ধ্যানমগ্ন হৈ থাকিছিল।

পূৰ্ণিমাৰ এনিশা ভক্তসকলে তেওঁৰ দৰ্শন কৰিলে, তেওঁৰ প্ৰবচন শুনিলে আৰু তেওঁৰ অনুমতি লৈ তাৰপৰা গুচি গ'ল। মাত্ৰ দেৱ নামৰ এজন ব্যক্তি মূৰ দোঁৱাই তেওঁৰ সমুখত বহি ৰ'ল। তেওঁৰ বয়স পঞ্চাশৰ বেচি হ'ব। "বাচা, তুমি কিবা সুধিব খুজিছা ?" যোগীয়ে সুধিলে।

এক মুহূৰ্ত্তৰ বাবে তেওঁ থেৰোগেৰো কৰিলে আৰু সুধিলে, "প্ৰভু, আজি কিছুদিনৰ পৰা এই বিশ্ব সম্পৰ্কে আৰু সৃষ্টিকৰ্ত্তা বুলি জনাজাত ভগৱান সম্পৰ্কে মোৰ মনত বিভিন্ন প্ৰশ্ন উদয় হ'বলৈ ধৰিছে। সেইবোৰৰ সমাধান বিচাৰি মই আপোনাৰ ওচৰলৈ আহিছোঁ।"

"নিশ্চয় সোধা, বাছা।" যোগীয়ে ক'লে।

"প্ৰভু, এই কথা সকলোৱে ভাবে আৰু কয় যে ভগৱানে এই পৃথিৱী সৃষ্টি কৰিছে। কিন্তু, জীৱশ্ৰেষ্ঠ বুলি জনাজাত মানুহৰ মাজত ইমান প্ৰভেদ কিয় ? মানুহৰ প্ৰতি মানুহৰ শত্ৰুতা আছে, দ্বেষ আছে, ঈৰ্ষা আছে, যুদ্ধ বিগ্ৰহ হয়, হত্যা আদি হয়, ইজনে সিজনক প্ৰতাৰণা কৰে। এইবোৰ আচলতে কি ? কিয় এনে হয় ? মানুহৰ সৃষ্টিকৰ্ত্তা ভগৱানে এই সকলোবোৰ দেখিও নিমাতে ৰয়, স্বসৃষ্ট এই পৃথিৱীৰ দুষ্কৃতিবোৰ কিয় নুশুধৰায় ? এই প্ৰশ্নই মোক সদায় অশান্ত কৰি তোলে ?" গম্ভীৰ

সুৰেৰে দেৱই সুধিলে । দেৱই ভাবিলে যোগীয়ে তেওঁক নিশ্চয় এই প্ৰশ্নৰ শাস্ত্ৰত থকা সমিধান দেখুৱাই দিব ।

মিচিকিয়াই হাঁহি যোগীয়ে সুধিলে, "তোমাৰ সন্তান কেইটি ?"

"চাৰিটা প্ৰভু । দুজন পো আৰু দুজনী জী।"

"সকলোকে তুমি মৰমেৰে বাৰু ডাঙৰ কৰিছানে ?"

"হয় প্ৰভু, বৰ মৰমেৰে মই সিহঁতক ডাঙৰ কৰিছোঁ ।" দেৱই ক'লে ।

"ঠিক আছে । এতিয়া তেওঁলোক কেনে আছে ? ক'ত ক'ত আছে ?" যোগীয়ে সুধিলে ।

"সেয়ানো কওঁ কেনেকৈ স্বামী ? আমি আৰু মোৰ মা-দেউতাই বৰ মৰমেৰে, বৰ আদৰ-যত্নেৰে ডাঙৰ ল'ৰাটোক ডাঙৰ কৰিলোঁ । সেই কাৰণে সি শিক্ষিত নহ'ল । বদ্‌গুণবোৰৰ সি চিকাৰ হ'ল । ষোল বছৰ বয়সতে সি ডকাইতৰ দলত সোমাল । এজন কোষাধ্যক্ষক হত্যা কৰি সি পলাল ।" দেৱই বৰ দুখেৰে কথাখিনি ক'লে ।

"পিছৰ ল'ৰাটো ?" যোগীয়ে সুধিলে ।

"প্ৰভু, সি শিক্ষিত । চহৰত চাকৰি কৰে আৰু আগতে প্ৰতি মাহতে কিবা অলপ হ'লেও মোলৈ পঠাইছিল । আমাক নজনোৱাকৈ সি কোনো ধনীৰ দুলালীক বিয়া কৰালে । তেতিয়াৰ পৰা সি সলনি হ'ল । বছৰত এবাৰহে আমাৰ ওচৰলৈ আহে ।" দেৱই ক'লে ।

"ঠিক আছে, তোমাৰ ছোৱালী দুজনীৰ কথা কোৱাচোন ।" যোগীয়ে ক'লে ।

"আমি ডাঙৰ জনী ছোৱালীক পঢ়াবলৈ বৰ যত্ন কৰিছিলোঁ । কিন্তু পঢ়াত তাইৰ আগ্ৰহ নাছিল । সোতৰ বছৰ বয়সতে তাই বৰ বেমাৰত পৰিল । আমি তাইক বচাবলৈ অশেষ চেষ্টা কৰিছিলো, কিন্তু একো লাভ ন'হল । তাই মৰি থাকিল ।" দেৱই বৰ কৰুণ কণ্ঠেৰে ক'লে ।

যোগী কিছু সময় মৌন হৈ ৰ'ল আৰু আকৌ ক'লে, "তোমাৰ ইজনী ছোৱালীৰ কি হ'ল ?"

যোগীৰ এই প্ৰশ্নত আনন্দেৰে দেৱই ক'লে, "প্ৰভু, তাইৰ কাৰণেই মই আৰু মোৰ পত্নী এতিয়া বহুত সুখী । মোৰ সৰু ছোৱালীজনীয়ে বৰ ভাল গান গায় । চুবুৰীয়া ল'ৰা-ছোৱালীবোৰক গান শিকায় আৰু মোৰ আৰু মোৰ পত্নীৰ চোৱা-চিতা কৰে ।"

যোগীয়েও তেওঁৰ এই উত্তৰত সুখী হৈ মূৰ জোকাৰি ক'লে, "চোৱা, তুমি চাৰিটা সন্তান জন্ম দিলা । আটাইকেউটিকে বৰ আদৰেৰে আৰু একেদৰেই লালন-পালন কৰিলা । তথাপি চাৰিটা চাৰি প্ৰকাৰৰ হ'ল। ইয়াত তোমাৰ যিমান দায়বদ্ধতা আছে সিমানখিনি কোটি মানৱৰ সৃষ্টিকৰ্তা ভগৱানৰো আছে ।"

যোগীৰ উত্তৰত দেৱ সন্তুষ্ট নহ'ল । যোগীয়ে এই কথা জানি ক'লে, "তুমি প্ৰথমে যি সন্দেহ প্ৰকাশ কৰিলা, তাৰ উত্তৰ সবিস্তাৰে দিছো শুনা । চোৱাঁ, জীৱনত আমি যিমান সুখ-দুখ পাওঁ, জয়-পৰাজয় ঘটে, তাৰ বহুত কাৰণ আছে । মানুহে যেতিয়া ভাবে যে জীৱনত তেওঁৰ কোনো বিজয়ৰ কৃতিত্ব তেওঁৰেই, তেনেস্থলত যেতিয়া তেওঁৰ পৰাজয় ঘটে, তাৰ বাবেও-দায়ী তেৱেঁই নহয় জানো ? এইটো নাভাবিবা যে ভগৱানে মানুহৰ মাজত প্ৰভেদ, প্ৰতিশোধ, দ্বেষ আদি দেখিও নিমাতে ৰয় । তেওঁ মানুহে নিজে কৰা কৰ্মৰ উপযুক্ত ফল ভাল আৰু বেয়াৰ ৰূপত আমাক প্ৰদান কৰে । কোনো কৰ্মৰ ফল ততালিকে প্ৰাপ্ত হয় আৰু কোনো কৰ্মৰ ফল ভুগিবৰ বাবে বহুত সময় লাগিব পাৰে । ভগৱানৰ শক্তিৰ গভীৰতা বুজি পোৱা উচিত। তাত ক্ৰুটী উলিয়াই দোষাৰোপ কৰিব নাপায়।"

এই উত্তৰে দেৱক নিশ্চয় সন্তুষ্ট কৰিলে । তেওঁ শ্ৰদ্ধাৰে যোগীৰ চৰণত প্ৰণাম কৰিলে। যোগীয়ে তেওঁক আশীৰ্বাদ দিলে আৰু ধ্যানত বহিবলৈ বুলি মন্দিৰৰ ফালে গুচি গ'ল ।

নিজকে ধৰাচোন

কণমানি ৰাহুল তাৰ পৰিয়ালৰ সবাতোকৈ কনিষ্ঠ সদস্য । সি এটা দুষ্ট ল'ৰা আছিল । এদিন আবেলি সি নেৰানেপেৰাকৈ কান্দি আছিল । তাৰ মাক-দেউতাক চিন্তাত পৰিল । তেওঁলোকে তাৰ কান্দোন বন্ধ কৰিব নোৱাৰিলে । সিনো কান্দিছে কিয় সেই কথাও তেওঁলোকে ধৰিব নোৱাৰিলে । তাৰ মন ঘূৰাবলৈ তেওঁলোকে যে কত কি চেষ্টা নকৰিলে! ৰাহুলৰ দেউতাকে তাক এটা চকলেট দি তাৰ মন আনফালে ঢাল খুৱাব খুজিলে। চকলেটটো খাই উঠি ৰাহুলে আকৌ কান্দিবলৈ ধৰিলে ।

ৰাহুলৰ মাকে তেতিয়া তাক তাৰ অতি মৰমৰ টেড্ডী বিয়েৰটো আনি দিলে । কিন্তু ৰাহুলৰ কান্দোন বাঢ়িহে আহিল । আইতাকে কমলাৰ ৰস আনি তাক ফুলাবলৈ ধৰিলে আৰু লগতে কপালত এটা চন্দনৰ ফোঁট দি মন্ত্ৰ মাতিবলৈ ধৰিলে । কিন্তু একেবাৰেই ৰাহুলৰ কান্দোন বন্ধ কৰিব নোৱাৰিলে ।

তাৰ কান্দোন শুনি অহা ওচৰ চুবুৰীয়াৰ প্ৰতিজনেই ৰাহুলৰ কান্দোন বন্ধ কৰিবলৈ কিবা নহয় কিবা এটা দিহা দিলে । ঠিক সেই সময়তে ৰাহুলৰ ককায়েক শচীন টিউশ্যনৰপৰা ঘূৰি আহি ঘৰ ওলাইছিলহি । ঘৰত চিঞৰ বাখৰ শুনি সি আচৰিত হ'ল ।

কান্দি থকা ভায়েকক দেখি সি মন কৰিলে ৰাহুলে তাৰ ছাঁটো দেখি কান্দি আছে । শচীনে বুজি পালে যে ৰাহুলে তাৰ ছাঁটোৰ চুলিত ধৰিব খুজিছে । যিমানে সি আগলৈ যায়, ছাঁটোও আগবাঢ়ি যায় । সেয়েহে সি কান্দিবলৈ ধৰিছিল । শচীনে ভায়েকক তাৰ নিজৰ চুলিত ধৰিবলৈ ক'লে । লগে লগে ৰাহুলৰ মুখত হাঁহি ওলাল, কিয়নো ছাঁটোৱেও তাৰ চুলিত ধৰিলে । সকলোৱে শচীনৰ উপস্থিত বুদ্ধিক প্ৰশংসা কৰিলে ।

খেলিমেলি খেমালি

আহাচোন আহা !
দুয়োখন ছবিত থকা আঠটা
পাৰ্থক্য বিচাৰি উলিয়াব পাৰিবানে বাৰু ?

1

2

মোক দিয়া ৰং !
নহলে উঠিব
মোৰ খং !



ঘৰিয়াল, ঘৰিয়াল,
কোৱাচোন মোক
দীঘে বাৰু কোন
সবাতোকৈ বিশাল?

3

(উত্তৰ ৬৬পৃষ্ঠাত)



বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা



Soura

Soura

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হ'ব!

অভিনন্দন

জুন সংখ্যাৰ পুৰস্কাৰ বিজেতা
ঋশান দেৱ চৌধুৰী
মাৰফৎ : বলেন দেৱ চৌধুৰী
পূব কামৰূপ কলেজ
বাইহাটা চাৰিআলি, অসম

বিজয়ী বাক্য

দেউতা ব্যস্ত হাতুৰী বটালীত।
আমি ব্যস্ত খেল আৰু ধেমালিত॥

খেলিমেলি ধেমালিৰ উত্তৰ (৬৪-৬৫ পৃষ্ঠা)	১. ১.শিয়ালৰ নেজৰ ওচৰত থকা শিলগুটিবোৰ, ২.পকেট, ৩.শিয়ালৰ নেজ, ৪.ফৰিঙৰ চোলা, ৫. সোহাঁতে থকা পাতবোৰ, ৬. গছৰ ডালত থকা ৰেখাবোৰ, ৭. শিয়াল আৰু ফৰিঙৰ মাজত থকা শিলগুটিবোৰ, ৮. বাঁওহাতে থকা পাত। ৩. পাঁচটা ঘৰিয়াল আছে আৰু তাৰ ভিতৰত 'ডি' ঘৰিয়ালেই আটাইতকৈ ডাঙৰ।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

56th ANNIVERSARY OFFER

From

CHANDAMAMA



A gift of 5 books from the series

JUNGLE JINGLES

worth Rs. 175/-

(jointly produced by Chandamama and Popular Prakashan, Mumbai)

on every

2-year subscription

CHANDAMAMA

(English edition)

You only have to send Rs. 360/- by M.O. / D.D. payable at Chennai, drawn in favour of

Chandamama India Limited
82, Defence Officers' Colony
Ekkattuthangal
Chennai 600 097



to get the books by post and enrich your home library.

CHANDAMAMA TAKES YOU CLOSER TO INDIA'S HERITAGE MONTH AFTER MONTH

CHANDAMAMA (Assamese) AUGUST 2003
Regd. with Registrar of Newspaper for India No. 30278/76
Registered No. TN/PMG(CCR)-588/03-05
Licensed to post without prepayment No. 369/03-05
Foreign - WPP. No. 370/03-05

Kawasaki Bajaj

bajaj auto ltd
Value for money, for years.

LOWE BAJ CLBER 313 2216 AS

bajaj Caliber 115

90 কি.মি.প্ৰ.লি.* | 9.5 বিএইচপি (7 kW) | সৰ্বোচ্চ স্পীড 100 কি.মি./ঘ. | এইচডিএচ চাচপেঞ্চন | অপ্ট'প্ৰিজম হেল'জেন হেডলেম্প | ছটা আকৰ্ষণীয় ৰং

*ষ্টেণ্ডাৰ্ড পৰীক্ষণ পৰিস্থিতিৰ অধীনত